# যোহনৰ প্ৰতি প্ৰকাশিত বাক্য

১ ১এইটো যীচু খ্ৰীষ্টৰ দিব্য সংবাদ যিটো তেওঁক ঈশ্বৰৰ দ্বাৰা এইকাৰণেই দিয়া হৈছি যে যিবোৰ কথা অলপতে ঘটিবলগা আছে, সেইবোৰ নিজৰ দাসক দেখুৱাই দিয়া হওক। নিজৰ স্বৰ্গদূত পঠাই যীচু খ্ৰীষ্টই ইয়াক নিজৰ পৰিচাৰক যোহনক সংকেতৰ দ্বাৰা জনালে। ২যোহনে যিবোৰ দেখিছিলে, তাৰ বিষয়ে জনালে। এইটো সেই সত্য যিটো তেওঁক যীচু খ্ৰীষ্টই জনালে। এইটো সেই সংবাদ যি ঈশ্বৰৰ হয়। ৩তেওঁবিলাক ধন্য যিবিলাকে ঈশ্বৰৰ এই দিব্য শুভসংবাদৰ বাক্যবোৰ শুনে, আৰু যিবোৰ কথা ইয়াত লিখা আছে, সেই অনুসাৰে চলে। কিয়নো সংকটৰ কাল নিচেই ওচৰ।

### মণ্ডলীবিলাকলৈ যোহনৰ সংবাদ

৪যোহনৰ হৈ
এচিয়াত প্ৰান্তীয়ত[a] থকা সাত মণ্ডলীবিলাকৰ নাম :

সেই ঈশ্বৰৰ পৰা যি জনা বৰ্তমান, যি সদা-সদায়ৰ পৰা আছিল আৰু যি আহিবলগীয়া আছে, সেই সাতোটা আত্মাৰ পৰা যি তেওঁ সিংহাসনৰ সন্মূখত আছে ৫অৰ্থাৎ যীচু খ্ৰীষ্টৰ পৰা যি বিশ্বাসপূৰ্ণ সাক্ষ্য, মৃতবিলাকৰ মাজৰ পৰা প্ৰথম পুনৰুত্থিত হোৱা তথা পৃথিৱীৰ ৰজাসকলৰ অধিপতি, তোমালোকলৈ অনুগ্ৰহ আৰু শান্তি হওক।

তেওঁ আমাক প্ৰেম কৰে, আৰু যি নিজৰ তেজেৰে আমাৰ পাপবোৰৰ পৰা আমাক মুক্ত কৰিলে। ৬তেওঁ আমাক এখন ৰাজ্য তথা নিজৰ পৰমপিতৃৰ পৰিচৰ্য্যাৰ নিমিত্তে পুৰোহিত হবলৈ ৰচিলে। তেওঁৰ মহিমা আৰু সামৰ্থ সদা-সৰ্বদায়লৈকে হওক। আমেন!

৭চোৱা, মেঘেৰে সৈতে খ্ৰীষ্ট আহিছে। প্ৰত্যেকটো চকুৱে তেওঁ দৰ্শন কৰিব। তেওঁলোকৰ ভিতৰত সেইলোকো হব যিবিলাকে তেওঁক বিন্ধিলে।[b] পৃথিৱীৰ সকলো লোকে তেওঁৰ কাৰণে হিয়া ভুকুৱাব। হয়!হয় নিশ্চয় এনেকুৱাই হওক। আমেন!

৮প্ৰভু ঈশ্বৰ তেওঁ যি আছিল, আৰু যি আহিবলৈ আছে, যি সৰ্বশক্তিমান, তেওঁ কৈছে, "মই আলফা আৰু অমেগা।"[c]

৯মই যোহন তোমালোকৰ ভাই আৰু ক্লেশভোগ, ৰাজ্য আৰু ধৈৰ্য্যত তোমালোকৰ সাক্ষ্য। ঈশ্বৰৰ বাক্য আৰু যীচুৰ সাক্ষ্যৰ কাৰণে মোক পাত্ম[d] নামৰ দ্বীপৰ পৰা উলিয়াই দিয়া হৈছিল। ১০প্ৰভুৰ দিনত মই অত্মাৰ বশীভূত আছিলো আৰু মই নিজৰ পিছফালে তূৰীৰ তীব্ৰ মাত শুনিবলৈ পালো, ১১তেওঁ কৈ আছিল, "যিবোৰ তুমি দেখি আছা, সেইবোৰ এখন পুথিৰ নোৱাত লিখি যোৱা আৰু সেইবোৰ ইফিচ, স্মূৰ্ণা, পগাম থুৱাতীৰা, চাৰ্দ্দি, ফিলাদেলফিয়া আৰু লাদেকিয়া, এই সাতোটা মণ্ডলীলৈ পঠাই দিয়া।"

১২তাতে এইটো চাবলৈ কোৱা মাত কাৰ তাক চাবলৈ মই ঘুৰিলোঁ। আৰু যেতিয়া মই ঘুৰিলো তেতিয়া মই সোণৰ সাতটা দীপধাৰ দেখিলোঁ। ১৩আৰু সেই দীপধাৰ কেইটাৰ মাজত মই এজন ব্যক্তিক দেখিলোঁ যি "মানুহৰ পুত্ৰৰ" দৰে কোনোবা পুৰুষ আছিল। তেওঁ নিজৰ ভৰিলৈকে বস্ত্ৰ পিন্ধি আছিল। আৰু তেওঁৰ বুকুত এটা সোণৰ টাঙলিৰ নিচিনা বন্ধা আছিল। ১৪তেওঁৰ মূৰৰ চুলি বগা ঊণৰ দৰে দ্বীপ্তিময় আছিল। আৰু তেওঁৰ চকুযোৰি অগ্নিশিখাৰ দৰে জিলিকি আছিল। ১৫তেওঁৰ চৰণ এই মাত্ৰ অগ্নিকুণ্ডৰ পৰা উলিয়াই অনা চকা পিতলৰ সমান জিলিকি আছিল। তেওঁৰ মাত অনেক পানীৰ সোঁতৰ শব্দৰ দৰে আছিল। ১৬আৰু তেওঁৰ সোঁ হাতত সাতোটা তৰা লৈ আছিল। তেওঁৰ মুখৰ পৰা এখন দুধৰীয়া তৰোৱাল বাহিৰলৈ উলাই আছিল। তেওঁৰ ছৱিখন নিজ শক্তিৰে ওলোৱা সূৰ্য্যৰ নিচিনা উজ্বল আছিল।

১৭মই যেতিয়া তেওঁক দেখিলোঁ তেওঁৰ চৰণত মৰাৰ দৰে পৰিলোঁ। তাতে তেওঁ মোৰ গাত নিজৰ সোঁ হাত দি কলে, "ভয় নকৰিবা, মইয়েই প্ৰথম আৰু মইয়েই শেষ। ১৮আৰু মই সেইজনেই যি জীৱিত আছোঁ। মই মৰি গৈছিলোঁ, কিন্তু এতিয়া মই সদাকালৰ বাবে জীৱিত আছোঁ। মোৰ লগত মৃত্যু আৰু পৰলোকৰো[e] চাবিবোৰ আছে। ১৯এতেকে তুমি যি দেখিলা, আৰু যিবোৰ ঘটি আছে, আৰু যিবোৰ ভৱিষ্-তে হবলৈ আছে, সেইবোৰ লিখি যোৱা। ২০এই যি সাতোটা তৰা যিটো তুমি মোৰ হাতত দেখিছা আৰু এই যি সাতোটা দীপধাৰ আছে, ইয়াৰ ৰসহ্যপূৰ্ণ অৰ্থ আছে: এই সাতটো তৰাই সাত মণ্ডলীৰ দূত আৰু এই সাতোটা দীপাধাৰই সাতটা মণ্ডলী।"

### ইফিচত থকা মণ্ডলীলৈ খ্ৰীষ্টৰ সংবাদ

২ ১"ইফিচত থকা মণ্ডলীৰ দূতলৈ তুমি এই কথা লিখা: "যি জনাই নিজৰ সোঁ হাতত সাচোটা তৰা ধাৰণ

[a] **১:৪ এচিয়া প্ৰান্তীয়** এচিয়া মহাদেশৰ এটা দেশ।
[b] **১:৭ বিন্ধিলে** কৰা চাওঁক যোহন ১৯:৩৪
[c] **১:৮ মই আলফা আৰু অমেগা** মূলতে এইটো গ্ৰীক ভাষাৰ স্বৰবৰ্ণৰ প্ৰথম আৰু অন্তিম আখৰৰ নাম। অৰ্থাৎ "আলফা" মানে "আদি" আৰু "অমেগা" মানে "অন্ত" দুয়োটাই প্ৰভু ঈশ্বৰেই।
[d] **১:৯ পাত্ম** সাগৰত থকা এচিয়া প্ৰান্তীয় (যি আজিকালি টুৰ্কী কোৱা হয়) এই পাৰৰ সৰু দ্বীপ।
[e] **১:১৮ পৰলোক** মূলতে আছে অৰ্থাৎ সেই লোকবিলাক যত মৃত্যুৰ পাছত যায়।

কৰে, আৰু সাতোটা দীপাধাৰৰ মাজত বিচৰণ কৰে, তেওঁ
এই কথা কয়:
২“মই তোমাৰ কৰ্ম্মৰ কঠোৰ পৰিশ্ৰম আৰু ধৈৰ্য্যপূৰ্ণ
সহনশীলতাক জানোঁ যে তুমি দুষ্টবিলাকক সহন কৰিব
নোৱাৰা আৰু তুমি তেওঁলোকক পৰীক্ষা কৰিছা, যিবিলাকে
নিজকে পাঁচনি বুলি কয় কিন্তু তেওঁলোক নহয়। তুমি
তেওঁলোকক মিছলীয়া পালা। ৩মই জানো তোমাত ধৈৰ্য্য
আছে আৰু মোৰ নামৰ নিমিত্তে তুমি কষ্ট সহন কৰিও শ্ৰান্ত
নহলা।
৪কিন্তু মোৰ তোমাৰ বিৰুদ্ধে কথা আছে: তুমি
সেই প্ৰেমক ত্যাগ কৰি দিছা যি প্ৰথমৰ পৰাই তোমাত
আছিল। ৫এতেকে সোঁৱৰণ কৰা যে তুমি কৰ পৰা পৰিলা,
মনপালটাই সেই কৰ্ম্মবোৰ কৰা যিবোৰ তুমি প্ৰথমৰ পৰা
কৰি আছিলা, নহলে, যদি তুমি মন পালটান নকৰা, মই
তোমাৰ ওচৰলৈ আহিম আৰু তোমাৰ দীপাধাৰ সেই
স্হানৰ পৰা আঁতৰাই দিম। ৬কিন্তু এই কথা তোমাৰ পক্ষত
আছে যে তুমি নীকলাইতীয়া বিলাকৰ[a] কৰ্ম্মক ঘিন কৰা,
যিবোৰ মইও ঘৃণা কৰোঁ।
৭“যাৰ কাণ আছে তেওঁ শুনক, তেওঁলোকে
মণ্ডলীবিলাকৈ আত্মাই যি কৈছে তাক শুনক। যি জনে জয়
কৰে তেওঁক ঈশ্বৰৰ বাৰীত লগা জীৱন বৃক্ষৰ ফল খাবলৈ
দিম।

## স্মুৰ্ণনাত থকা মণ্ডলীলৈ খ্ৰীষ্টৰ সংবাদ

৮“স্মুৰ্ণাৰ মণ্ডলীৰ স্বৰ্গদূতলৈ এই কথা লিখা:
“যি জনা প্ৰথম আৰু যি অন্তিম, যি মৰি গৈছিল আৰু যি
পুনজীৱিত হল, এই দৰে কয়:
৯“মই তোমাৰ যাতনা আৰু তোমাৰ দৰিদ্ৰতাৰ বিষয়ে
জানোঁ। তথাপিও তুমি ধনী, যিবিলাকে নিজকে ইহুদী বুলি
কয়, তেওঁবিলাকে তোমাৰ যি নিন্দা কৰিলে, মই তাকো
জানো। যদিও তেওঁলোক ইহুদি নহয়। কিন্তু তেওঁলোকে
উপাসনা কৰা সমাজ এনে যে যি চয়তানৰ লগত সমন্ধিত।
১০সেই যাতনাবিলাকলৈ অলপো ভয় নকৰিবা যিবোৰে
তোমাক ক্লেশ দি আছে। শুনা, চয়তানে তোমালোকৰ
কিছুমানক বন্দীগৃহত পেলাবলৈ তোমালোকৰ পৰীক্ষা
লব বিচাৰিছে। আৰু তোমালোকে তাত দহ দিনলৈকে
কষ্টভোগ কৰিব লাগিব। যদি মৰিবও লগীয়া হয়, তথপিও
সত্যতে থাকিবা মই তোমাক অনন্ত জীৱনৰ কিৰীটি প্ৰদান
কৰিম।
১১“মণ্ডলীবিলাকলৈ আত্মাই কি কৈছে তাক যি বিলাকে
শুনিব পাৰে শুনক, যি জনে জয়ী হব তেওঁ দ্বিতীয় মৃত্যুৰ
দ্বাৰাই হিংসিত নহব।

## পৰ্গামত থকা মণ্ডলীলৈ খ্ৰীষ্টৰ সংবাদ

১২“পৰ্গামত থকা মণ্ডলীৰ স্বৰ্গদূতলৈ এই কথা লিখা:
“যি জনাই দুধৰীয়া তৰোৱাল ধাৰণ কৰে, তেওঁ এই কথা কয়:
১৩“মই জানো তুমি কত নিবাস কৰা। তুমি তাত থাকা
যত চয়তানৰ সিংহাসন আছে আৰু এইটোও জানো যে
তুমি মোৰ নাম ধাৰণ কৰি আছা আৰু তুমি মোৰ প্ৰতি নিজৰ
বিশ্বাসক কেতিয়াও অস্বীকাৰ কৰা নাই। তোমালোকৰ সেই
নগৰত যত চয়তানৰ নিবাস আছে, মোৰ বিশ্বাসী সাক্ষী
আন্তিপাক বধ কৰা হৈছিল।
১৪“যি কি নহওক, মোৰ ওচৰত তোমাৰ বিৰুদ্ধ কিছুমান
কথা আছে। তোমালোকৰ তাত কিছুমান লোক আছে যি
বিলাকে বিলিয়মৰ শিক্ষাত চলি আছে। তেওঁ বালাকক
শিকাইছিল যে তেওঁ ইস্ৰায়েল বিলাকক মুৰ্তিৰ সমৰ্পিত
প্ৰসাদ খাবলৈ আৰু ব্যাভিচাৰ কৰিবলৈ উৎসাহিত কৰিছিল।
১৫এইদৰে তোমাৰলোকৰ তাতো কিছুমান এনে লোক
আছে যি বিলাকে নীকলাইতীয়াবিলাকৰ শিক্ষাত চলে।
১৬এই কাৰণে মন পালটোৱা নহলে মই বেগাই তোমাৰ
তাত উপস্হিত হম আৰু তেওঁলোকৰ বিৰুদ্ধে মই সেই
তৰোৱালেৰে যুদ্ধ কৰিম যি মোৰ মূখৰ পৰা ওলায়।
১৭“যি জনৰ কাণ আছে তেওঁ শুনক, আত্মাই
মণ্ডলীবিলাকক কি কথা কৈছে।
“যি জনে জয়ী হব, মই তেওঁক স্বৰ্গত থকা মান্না দিম। মই
তেওঁক এটা বগা শিলো দিম যিহত এটা নতুন নাম অংকিত
হব। যিটো তেওঁৰ বাহিৰে আন কোনোৱে নাজানিব তাক
তেওঁক দিয়া হব।

## থুয়াতীৰাৰ মণ্ডলীলৈ খ্ৰীষ্টৰ সংবাদ

১৮“থুয়াতীৰাৰ মণ্ডলীৰ স্বৰ্গদূতৰ সমীপলৈ:
“ঈশ্বৰৰ পুত্ৰ, যাৰ চকু অগ্নিশিখাৰ তুল্য, আৰু যাৰ চৰণ
চকা পিতলৰ নিচিনা, তেওঁ এই কথা কয়:
১৯“মই তোমাৰ কৰ্ম্ম, তোমাৰ বিশ্বাস, তোমাৰ পৰিচৰ্য্যা
আৰু তোমাৰ ধৈৰ্য্যৰ সহনশীলতাক জানো। মই জানো যে
এতিয়া তুমি যি প্ৰথমতে কৰিছিলা, তাতোতকৈ অধিক
কৰি আছা। ২০কিন্তু মোৰ তোমাৰ বিৰুদ্ধে এইটোৱে কথা
আছে যে, তুমি ঈজৱেল নামৰ সেই তিৰোতাজনীক সহন
কৰি আছা, যি জনীয়ে নিজকে ভাৱবাদিনী বুলি কয়। নিজৰ
শিক্ষাৰে তেওঁ মোৰ দাসবিলাকক ব্যাভিচাৰৰ প্ৰতি আৰু
মুৰ্তিত আগবঢোৱা প্ৰসাদ খাবলৈ চালিত কৰে। ২১মই
তেওঁলোকক মন পালটাবলৈ সময় দিলো কিন্তু তেওঁলোকে
ঈশ্বৰৰ প্ৰতি ব্যাভিচাৰৰ পৰা মন পালটাবলৈ ইচ্ছা নকৰে।
২২“এইকাৰণে এতিয়া মই তেওঁক শয্যাত পেলাম। আৰু
সেইবিলাককো যিবিলাকে তেওঁৰে সৈতে ব্যাভিচাৰত
সনন্মিলিত। যাতে তেওঁলোকে সেই সময়লৈকে সেই
কষ্টদায়ক অনুভৱ কৰি থাকিব যেতিয়ালৈকে তেওঁলোকে
তেওঁৰে সৈতে কৰা নিজৰ বেয়া কৰ্ম্মৰ পৰা মন নাপালটায়।
২৩মই মহামাৰীৰে তেওঁলোকৰ সন্তান বিলাকৰ মৃত্যু মূখত
পেলাম আৰু সকলো মণ্ডলীবিলাকে জানিব যে মই

[a] **২:৬ নীকলাইতীয়া** বিলাক এচিয়া প্ৰান্তৰ, এটা ধৰ্মৰ সমূহৰ। এই লোকবিলাক মিছা বিশ্বাসৰ আৰু ধাৰণাৰ অনুযায়ী আছিল। এওঁলোকৰ ধৰ্ম কোনো নীকলাইতীয়া নামৰ ব্যক্তিৰ ওপৰত কৰিছিল হবলা।

সেইজনেই যি মানুহৰ মন আৰু বুদ্ধিক পৰীক্ষা কৰোঁ। মই তোমালোক সকলো লোকক তোমালোকৰ কৰ্ম্মৰ অনুসাৰে প্ৰতিফল দিম।

২৪“এতিয়া মই থুয়াতীৰাৰ সেই অৱশিষ্ট থকা কিছুমান লোকক কবলগীয়া আছে, যিবিলাকে এই শিক্ষাৰ অনুসাৰে নচলে আৰু যিবালাকে চয়তানৰ সেই তথা কথিত গভীৰতাবোৰ নাজানে, মই তোমালোকৰ ওপৰত আৰু কোনো ভাৰ নিদিওঁ। ২৫কিন্তু যি তোমালোকৰ লগত আছে, মই নহালৈকে তাতে চলি থাকা।

২৬“যি জনে জয় কৰিব আৰু যি কথাবোৰৰ মই আদেশ দিছোঁ, শেষলৈকে সেইবোৰত তিষ্টি থাকিব মই তেওঁলোকক পৰজাতিবিলাকৰ ওপৰত ক্ষমতা দিম। ২৭আৰু তেওঁ তেওঁলোকৰ ওপৰত লোহাৰ দণ্ডৰে শাসন কৰিব। তেওঁ তেওঁবিলাকক মাটিৰ কলহ ভঙাৰ দৰে টুকুৰা টুকুৰা কৰি পেলাব।[a] ২৮এইটোৱেই সেই অধিকাৰ যিটো মই মোৰ পৰমপিতৃৰ পৰা পালো। মইও সেই ব্যক্তিজনক প্ৰভাতীয় তৰা দিম। ২৯যাৰ কাণ আছে আত্মাই মণ্ডলীলবিলাকৈ কি কথা কৈছে।

## চাৰ্দ্দিত মণ্ডলীলৈ খ্ৰীষ্টৰ সংবাদ

৩ ১“চাৰ্দ্দিত থকা মণ্ডলীৰ স্বৰ্গদূতলৈ এই কথা লিখা:

“তেওঁ এই কথা কয় যাৰ লগত ঈশ্বৰৰ সাতোটা আত্মা আৰু সাতোটা তৰা আছে,

“মই তোমাৰ কৰ্ম্মবোৰ জানোঁ, মানুহবোৰৰ মতে তুমি জীৱিত আছা কিন্তু আচলতে তুমি মৰা। ২সাৱধানে থাকা! অৱশিষ্ট যি খিনি আছে, ইয়াৰ আগতে যেন সম্পূৰ্ণৰূপে নষ্ট হৈ নাযায়, তাক সুস্হিৰ কৰা কিয়নো নিজৰ ঈশ্বৰৰ সাক্ষাতত মই তোমাৰ কৰ্ম্মবোৰ উত্তম নাপালোঁ। ৩এতেকে যি উপদেশ শুনিলা আৰু পালা, সেইবোৰ সোঁৱৰণ কৰা। আৰু মন পালটন কৰি তাতেই চলা। যদি তুমি জাগ্ৰত নোহোৱা তেনেহলে মই চোৰৰ নিচিনাকৈ যাম। মই তোমাক কোন পৰত তোমাৰ তাত উপস্হিত হম, তুমি নাজানিবা।

৪“যি কি নহওক চাৰ্দ্দিত তোমালোকৰ মাজত কিছুমান এনে লোক আছে, যিবিলাকে নিজকে অশুচি কৰা নাই। তেওঁলোকে বগা বস্ত্ৰ ধাৰণ কৰি মোৰে সৈতে অহা যোৱা কৰিব কিয়নো তেওঁলোক সৌভাগ্যৱান। ৫যি জয় হব তেওঁ এইধৰণে বগা বস্ত্ৰ ধাৰণ কৰিব। মই জীৱনৰ পুস্তকৰ পৰা তেওঁলোকৰ নাম মচি নেপেলাওঁ, কিন্তু মই তেওঁলোকৰ নাম নিজৰ পৰম পিতৃ আৰু তেওঁৰ স্বৰ্গদূত বিলাকৰ সন্মূখত স্বীকাৰ কৰিম। ৬যাৰ কাণ আছে তেওঁ মণ্ডলীবিলাকলৈ আত্মাই কি কথা কৈছে তেওঁ তাক শুনক

## ফিদাদেলফিয়া মণ্ডলীলৈ খ্ৰীষ্টৰ সংবাদ

৭“ফিদাদেলফিয়া মণ্ডলীৰ স্বৰ্গদূতলৈ এই কথা লিখা:

“তেওঁ যি পবিত্ৰ আৰু সত্য আৰু যাৰ ওচৰত চাবি আছে, তেওঁ যি দুৱাৰ মেলে তাক কোনোৱে আৰু বন্ধ কৰিব নোৱাৰে: তেওঁ এইদৰে কয়।

৮“মই তোমাৰ কৰ্ম্মবোৰ জানোঁ। চোৱা মই তোমাৰ সন্মূখত এখন দুৱাৰ খুলি দিলোঁ, যিটো কোনেও বন্ধ কৰিব নোৱাৰে। মই জানো যে তোমাৰ শক্তি তাকৰ কিন্তু তুমি মোৰ আদেশবোৰ পালন কৰিছা আৰু মোৰ নামক অস্বীকাৰ কৰা নাই। ৯শুনা কিছুমান এনে আছে যি চয়তানৰ মণ্ডলীৰ হয় আৰু যি যিহুদী নহোৱাকৈ নিজকে যিহুদী বুলি কয়, যি কেৱল মিছলীয়া, মই তেওঁলোকক ইয়াত আহিবলৈ বাধ্য কৰাম যাতে তেওঁলোকে জানক যে তোমালোক মোৰ প্ৰিয়জন। ১০কিয়নো তুমি ধৈৰ্য্য সহকাৰে মোৰ আদেশবোৰ পালন কৰিছা। তাৰ পৰিৱৰ্তে মইও তোমাক সেই পৰীক্ষাৰ সময়ত তোমাৰ ৰক্ষা কৰিম যি এই পৃথিৱীত থকাবিলাকক পৰীক্ষা কৰিবলৈ সমগ্ৰ সংসাৰত আহিবলৈ উদ্যত আছে।

১১“মই বেগাই গৈ আছোঁ। যি তোমাৰ আছে তাক ধৰি ৰাখা যাতে তোমাৰ জয়ৰ মুকুট আন কোনোবাই যেন লৈ নাযায়। ১২যি জনে জয় কৰিব তেওঁক মই নিজৰ ঈশ্বৰৰ মন্দিৰৰ স্তম্ভস্বৰূপ বনাম। তাতে তেওঁ কেতিয়াও এই মন্দিৰৰ বাহিৰলৈ নাযাব। আৰু মই নিজৰ ঈশ্বৰৰ আৰু নিজৰ ঈশ্বৰৰ নগৰ নতুন যিৰূচালেমৰ নাম তাত লিখিম, যি মোৰ ঈশ্বৰৰ পৰা স্বৰ্গৰ তললৈ নামিব। তাত মই নিজৰ নতুন নামো লিখিম। ১৩যি জনে শুনিব পাৰে মণ্ডলীবিলাকলৈ আত্মাই যি কথা কৈছে তেওঁ তাক শুনক।

## লায়দেকিয়াৰ মণ্ডলীলৈ খ্ৰীষ্টৰ সংবাদ

১৪“লায়দেকিয়াৰ মণ্ডলীৰ স্বৰ্গদূতলৈ এই কথা লিখা:

“যি আমেন, [b] বিশ্বাসপূৰ্ণ আৰু সত্য সাক্ষী, যি ঈশ্বৰৰ সৃষ্টিৰ শাসক, তেওঁ এই কথা কয়:

১৫“মই তোমাৰ কৰ্ম্মবোৰ জানোঁ আৰু এইটোও জানো যে তুমি শীতলো নোহোৱা আৰু গৰমো নোহোৱা। ১৬এইদৰে তুমি কেৱল কহুমীয়া হৈ গৰমো নহোৱা আৰু শীতলো নোহোৱাত, মই তোমাক মুখৰ পৰা বতিয়াই পেলাবলৈ উদ্যত। ১৭তুমি কোৱা যে মই ধনী হৈ গৈছোঁ আৰু মোক কোনো বস্তুৰ আৱশ্যকতা নাই, কিন্তু তুমি নাজানা যে তুমি কিমান দুৰ্ভগীয়া, দীনহীন, অন্ধ আৰু নগ্ন আছা। ১৮মই তোমাক উপদেশ দিছোঁ যে তুমি মোৰ পৰা অগ্নিত তপোৱা সোণ কিনি লোৱা যাতে তুমি সঁচাকৈয়ে ধনী হৈ যাবা। পিন্ধিবলৈ বগা কাপোৰো কিনি লোৱা যাতে তোমাৰ নগ্নতাৰ লজ্জা প্ৰকাশিত নহয়। নিজৰ চকুযোৰীত লিপিবলৈ চকুৰ মলমো লৈ লোৱা যাতে তুমি দেখা পাবা।

১৯“সেই সকল যে যাক মই প্ৰেম কৰোঁ, তেওঁক মই শাস্তি দিওঁ, আৰু অনুযোগ কৰোঁ। এইকাৰণে তুমি কঠিন পৰিশ্ৰম আৰু মন পালটন কৰা। ২০শুনা, মই দুৱাৰ মূখত আছোঁ আৰু টুকুৰিয়াই আছোঁ। যদি কোনোবাই মোৰ শব্দ

[a] **২:২৬–২৭** চাওঁক গীতমালা ২:৯

[b] **৩:১৪ আমেন** আমেন শব্দৰ অৰ্থ সেই পৰম সত্যৰ অনুৰূপ হৈ যোৱা। কিন্তু ইয়াত ইয়াক যীচুৰ এটা নামৰ ৰূপে প্ৰকাশ কৰা হৈছে।

শুনি পায় আৰু দুৱাৰ মেলে তেন্তে মই তেওঁৰ ঘৰত প্ৰৱেশ কৰিম আৰু তেওঁৰে সৈতে বহি ভোজন কৰিম আৰু তেওঁ মোৰ সৈতে বহি ভোজন কৰিব।

২১“যি জনে জয়ী হব মই তেওঁক নিজৰ লগত নিজৰ সিংহাসনত বহিবলৈ গৌৰৱ প্ৰদান কৰিম। ঠিক তেনেকৈয়ে যেনেকৈ মই জয়ী হৈ নিজৰ পিতৃৰ সৈতে তেওঁৰ সিংহাসনত বহি আছোঁ। ২২যাৰ কাণ আছে তেওঁ শুনক যে আত্মাই মণ্ডলীবিলাকক কি কথা কৈছে।”

### স্বৰ্গৰ দৰ্শন

**৪** ১ইয়াৰ পাছত মই চকু উঠাই চালোঁ আৰু স্বৰ্গৰ খোলা দুৱাৰ মোৰ সন্মূখত আছিল। আৰু সেই শব্দ যিটো মই আগতেওঁ শুনিছিলো, তূৰীৰ সুৰত মোক কৈ আছিল, “ইয়ালৈ উঠি আহাঁ। মই তোমাক সেইবোৰ দেখুৱাম যিবোৰ ভৱিষ্-তে হোৱাটো নিশ্চিত।” ২তাতে মই শীঘ্ৰেই আত্মাত বশীভূত হৈ উঠিলো। মই চালোঁ যে মোৰ সন্মূখত স্বৰ্গৰ সিংহাসন আছিল তাত কোনোবা বিৰাজমান আছিল। ৩যি জন তাত বিৰাজমান আছিল তেওঁৰ সূৰ্য্যকান্ত আৰ চাৰ্দ্দীয়া মণিৰ সমান আছিল। তেওঁৰ সিংহাসনৰ চাৰিওফালে মেঘধনু আছিল যি মৰকত মণিৰ নিচনা জিলিকি আছিল।

৪সেই সিংহাসনৰ চাৰিওফালে আৰু চৌবিশখন সিংহাসন আছিল, যত বৃদ্ধলোক বহি আছিল। তেওঁলোকে বগা বস্ত্ৰ পিন্ধি আছিল। তেওঁলোকৰ মুৰত সোণৰ মুকুট আছিল। ৫সিংহাসনৰ চাৰিওফালে বিজুলীৰ পোহৰ, মাত, আৰু মেঘৰ-গৰ্জন ওলায় আছিল। সিংহাসনৰ আগফালে জ্বলি থকা সাতটা প্ৰদীপ আছিল। এই প্ৰদীপ ঈশ্বৰৰ সাতোটা আত্মা। ৬সিংহাসনৰ আগফালে আৰ্চীময় কাঁচৰ স্ফটিকৰ নিচিনা সমুদ্ৰ যেন দেখা গৈছিল।

সিংহাসনৰ ঠিক আগফালে আৰু তাৰ দুয়ো কাষে চাৰিটা প্ৰাণী আছিল। সিবিলাকৰ আগে পাছে চকুৰেই পৰিপূৰ্ণ আছিল। ৭প্ৰথম প্ৰাণী সিংহৰ নিচিনা আছিল, দ্বিতীয় প্ৰাণীটো দামুৰিৰ নিচিনা আছিল। তৃতীয় প্ৰাণীটোৰ মূখ মানুহৰ নিচিনা আছিল আৰু চতুৰ্থ প্ৰাণীটো কুৰৰ পক্ষীৰ দৰে আছিল। ৮এই চাৰিওটা প্ৰাণীৰ ছখন ছখন ডেউকা আছিল। সিবিলাকৰ বাহিৰে ভিতৰে সিইঁতে চকুৰে পৰিপূৰ্ণ আছিল। দিনে ৰাতিয়ে নিৰন্তৰে কৈয়েই আছিল:

“সৰ্ব্বশক্তিমান প্ৰভু ঈশ্বৰ পবিত্ৰ, পবিত্ৰ,
পবিত্ৰ, যি আছিল, যি আছে আৰু যি আহিবলগীয়া
আছে।”

৯যেতিয়া এই জীৱিত প্ৰাণীবিলাকে সেই অজৰ-অমৰৰ মহিমা আদৰ আৰু ধন্যবাদ কৰি আছিল যি সিংহাসনত বিৰাজমান আছিল তেতিয়া ১০সেই চৌবিশজন বৃদ্ধ[a] লোকে তেওঁৰ চৰণত পৰি, সেই সদা সৰ্বদায় জীৱিত থকা জনক উপাসনা কৰে। তেওঁলোকে সিংহাসনৰ আগত নিজৰ নিজৰ কিৰীটি পেলাই দিয়ে আৰু কয় :

১১ “হে আমাৰ প্ৰভু আৰু আমাৰ ঈশ্বৰ!
তুমিয়েই মহিমা, প্ৰশংসা আৰু পৰাক্ৰম পোৱাৰ
যোগ্য।
কিয়নো তুমিয়েই নিজৰ ইচ্ছামতে সকলো বস্তুবোৰ
স্ৰজিলা।
তোমাৰেই ইচ্ছাৰে তেওঁলোকৰ অস্হিত্ব আছে।
আৰু তোমাৰেই ইচ্ছাৰ দ্বাৰা হৈছে এই সৃষ্টি।”

### পুস্তকখন কোনে খুলিব পাৰিব?

**৫** ১পাছে মই চালোঁ যে যি জনা সিংহাসনত বিৰাজমান আছিল তেওঁৰ সোঁ হাতত এটা পুথিৰ নুৰা অৰ্থাৎ এখন এনে পুস্তক[b] আছিল যি লিখাৰ পাছত জপাই দিয়া হয়। যত দুয়োফালে লিখা আছিল। আৰু সেইটো সাতটা মোহৰৰ ছাৱ মৰা হৈছিল। ২মই এজন শক্তিশালী স্বৰ্গদূতক দেখিলোঁ যি উচ্ছস্বৰে ঘোষণা কৰি আছিল, “এই জাপি থোৱা পুস্তকখনিৰ মোহৰৰ ছাৱটো খুলিবলৈ আৰু নুৰাটো মেলিবলৈ যোগ্য কোন?” ৩কিন্তু স্বৰ্গত বা পৃথিৱীত বা পাতাল লোকত কোনো এনে নাছিল যিয়ে সেই পুথিৰ নুৰাটো খুলি চাব পাৰে। ৪কিয়নো সেই পুস্তকখনি খুলিবলৈ ক্ষমতা থকা আৰু ভিতৰৰ চাব পৰা শক্তিশালী কাকো নোপোৱা দেখি মই চিঞঁৰি চিঞঁৰি ক্ৰন্দন কৰিলোঁ। ৫পাছে সেই বৃদ্ধবিলাকৰ এজনে মোক কলে, “কন্দাটো বন্ধ কৰা। শুনা যিহুদাৰ বংশৰ সিংহ যি দায়ুদৰ ফৈদৰ যি বিজয়ী হৈছে। তেওঁ এই সাতোটা মোহৰৰ খুলিবলৈ আৰু এই পুথিৰ নুৰাটো মেলিবলৈ যোগ্য।”

৬পাছে মই চালোঁ যে সেই সিংহাসনত আৰু সেই চাৰিও প্ৰাণীৰবিলাকৰ আগত আৰু সেই বৃদ্ধলোকৰ উপস্হিতিত এটা মেৰ পোৱালি থিয় হৈ আছিল। তেওঁক এনে দেখা গৈছিল যেনিবা তেওঁৰ বলি কৰা হৈছে। তেওঁৰ সাতোটা শিং আছিল আৰু সাতোটা চকু আছিল যি ঈশ্বৰৰ সাতোটা আত্মাবিলাক। যিবোৰক পৃথিৱীলৈ পঠোৱা হৈছিল। ৭পাছে তেওঁ আহিল আৰু যি সিংহাসনত বিৰাজমান আছিল, তেওঁৰ সোঁহাতৰ পৰা তেওঁ সেই পুথিৰ নুৰাটো ললে। ৮যেতিয়া তেওঁ পুথিৰ নুৰাটো ললে সেই চাৰিও প্ৰাণী তথা চৌবিশজন বৃদ্ধলোকে সেই মেৰ পোৱালিক প্ৰনিপাত কৰি প্ৰনাম জনালে। তেওঁবিলাকৰ প্ৰত্যেকৰে হাতত বীণা আছিল আৰু তেওঁলোকৰ হাতত সুগন্ধি দ্ৰব্যৰে পৰিপূৰ্ণ সোণৰ বাটি আছিল, যিটো পবিত্ৰ বিলাকৰ প্ৰাৰ্থনা আছিল, ৯তেওঁলোকে এটা নতুন গীত গাই আছিল:

“তুমিয়েই এই পুস্তকটি লবলৈ সামৰ্থ,
আৰু যি তাত লগা মোহৰৰ ছাৱ মেলিবৰ যোগ্য

[a] *৪:১০* **চৌবিশজন বৃদ্ধ** প্ৰকাশিত বাক্যত চৌবিশ বৃদ্ধ সেই বাৰজন পুৰষ যিবিলাক ঈশ্বৰৰ পবিত্ৰ বিলাকৰ মহান নেতা আছিল। হব পাৰে এইটো যিহুদী বিলাকৰ বাৰ ফৈদৰ নেতা। আৰু যীচুৰ বাৰজন পাঁচনিও হব পাৰে।

[b] **৫:১ পুস্তক** এটা দীঘলীয়া মেৰিওৱা কাগজ বা চামৰা যিটো প্ৰাচীন যুগত লিখবলৈ ব্যৱহাৰ কৰা হৈছিল।

কিয়নো তোমাৰ বধ বলিৰ ৰূপে কৰি দিলে,
আৰু নিজৰ তেজেৰে তুমি ঈশ্বৰৰ উদ্দেশ্যে
সকলো লোকক, সকলো জাতি, সকলো ভাষা,
সকলো ফৈদৰ, সকলো দেশৰ পৰা কিনি ললা।
১০ আৰু তুমি তেওঁলোকক ৰাজ্য স্বৰূপ দিলা।
আৰু আমাৰ ঈশ্বৰৰ উদ্দেশ্যে তেওঁবিলাকক
পুৰোহিত পাতিলা
তেওঁলোকে পৃথিৱীত ৰাজত্ব কৰিব।”

১১তেতিয়া মই দেখিলোঁ আৰু অনেক স্বৰ্গদূতৰ মাত
শুনিলোঁ। তেওঁবিলাক সিংহাসন, সেই প্ৰাণীবোৰ তথা
বৃদ্ধলোকৰ চাৰিওফালে থিয় হৈ আছিল। স্বৰ্গদূতবিলাকৰ
সংখ্যা লাখ আৰু অযুত অযুত আছিল ১২তেওঁবিলাকে উচ্চ
স্বৰত কৈ আছিল:

“সেই মেৰ পোৱালি যাক মাৰি পেলোৱা হৈছিল,
তেওঁ পৰাক্ৰম, ধন, বিবেক, বল, সমাদৰ
মহিমা আৰু স্তুতি পোৱাৰ যোগ্য।”

১৩পাছে মই শুনিলোঁ যে স্বৰ্গৰ, পৃথিৱীৰ আৰু সাগৰৰ, যি
সকলো সৃষ্টি হয় সেই সমস্হ বিশ্বব্ৰমাণ্ডৰ সকলো প্ৰাণীয়ে
কৈ আছিল:

“যি সিংহাসনত বহি আছে আৰু মেৰৰ স্তুতি,
আদৰ, মহিমা আৰু পৰাক্ৰম সদা-সৰ্বদায় হওক!”

১৪আৰু সেই চাৰিও প্ৰাণীয়ে “আমেন” কলে আৰু
বৃদ্ধলোকে পৰি প্ৰণিপাত কৰি উপাসনা কৰিলে।

### মেৰ পোৱালিৰ পুথি খোলা

৬ ১মই দেখিলোঁ যে মেৰ পোৱালিয়ে সাতোটা
ছাৰৰ এটা মেলিলে তেতিয়া সেই চাৰিটা প্ৰাণীৰ
এটাই মেঘ-গৰ্জন তুল্য মাতেৰে কোৱা শুনিলো, “আহাঁ”
২যেতিয়া মই চকু তুলি চালোঁ মোৰ ওচৰত এটা বগা
ঘোৰা আছিল। আৰু ঘোৰাৰ ওপৰত থকা জনাৰ হাতত ধনু
আছিল। আৰু তেওঁক এটা জয়ৰ কিৰীটি দিয়া হল। তাতে
তেওঁ জয় কৰিবলৈ জয় কৰি কৰি বাহিৰলৈ ওলাই গল।
৩যেতিয়া মেৰ পোৱালিয়ে দ্বিতীয়টো ছাৰ মেলিলে মই
দ্বিতীয় প্ৰাণীক কোৱা শুনিলো, “আহাঁ” তাতে অগ্নিৰ সমান
ৰঙা ৰংঙৰ ৪এটা ঘোৰা বাহিৰলৈ আহিল। তাৰ ওপৰত বহা
জনাক পৃথিৱীৰ পৰা শান্তি কাঢ়ি লবলৈ আৰু লোকবিলাকক
পৰস্পৰে বধ কৰাবলৈ আৰু উৎসাহীত কৰিবলৈ অধিকাৰ
দিয়া হল। তেওঁক এখন দীঘল তৰোৱাল দিয়া হল।
৫মেৰ পোৱালিয়ে যেতিয়া তৃতীয়টো ছাৰ মেলিলে, মই
তৃতীয় প্ৰাণীক কোৱা শুনিলোঁ, “আঁহা” যেতিয়া মই দৃষ্টি
কৰিলোঁ তাত মোৰ আগত এটা কলা ৰঙৰ ঘোৰা থিয়
হৈ আছিল। তাত বহা জনাৰ হাতত এখন পাল্লা আছিল।
৬তেতিয়া মই সেই চাৰিওটা প্ৰাণীৰ মাজত পৰা এটা শব্দ
অহা যেন শুনিলোঁ, যি কৈ আছিল, “এদিনৰ মজুৰি সলনি
এদিনৰ খাবলৈ ঘেহুঁ আৰু এদিনৰ মজুৰিৰ সলনি তিনি
দিনলৈকে খোৱা যৰ। কিন্তু সুগন্ধি তেল আৰু দ্ৰাক্ষাৰসৰ
হানি নকৰিবা।”
৭পাছে মেৰ পোৱালিয়ে যেতিয়া চতুৰ্থটো ছাৰ মেলিলে
তাতে চতুৰ্থ প্ৰাণীক কোৱা শুনিলো, “আহাঁ” ৮পাছে
যেতিয়া মই চকু তুলি চালোঁ মোৰ আগত পাণ্ডু বৰণীয়া
এটা ঘোৰা উপস্হিত আছিল। তাত উঠা জনাৰ নাম
আছিল, “মৃত্যু” আৰু তেওঁৰ লগতে পৰলোক পাছে পাছে
চলিছিল। তাতে যুদ্ধ, আকাল, মহামাৰী আৰু পৃথিৱীৰ
হিংসুক জন্তুবোৰৰ দ্বাৰা লোক বিলাকক বধ কৰিবলৈ
পৃথিৱীৰ পৃথিৱীৰ চাৰি ভাগৰ এভাগৰ ওপৰত তেওঁক
অধিকাৰ দিয়া হল। ৯আৰু মেৰ পোৱালিয়ে যেতিয়া
পঞ্চম ছাৰ মেলিলে, মই বেদীৰ তলৰ সেই আত্মাবোৰক
চালোঁ যিবোৰক ঈশ্বৰৰ শুভৱাৰ্তাৰ কাৰণে আত্মা আৰু যি
সাক্ষ্যক তেওঁলোকে দিছিল, সেই কাৰণে তেওঁলোকক
বধ কৰা হৈছিল। ১০উচ্চ স্বৰে ৰিঙিয়াই তেওঁলোকে কল,
“হে পবিত্ৰ আৰু সত্য প্ৰভু, আমাৰ ৰক্তপাতৰ কাৰণে
পৃথিৱীৰ লোকবিলাকৰ বিচাৰ কৰিবলৈ আৰু তেওঁলোকক
দণ্ড দিবলৈ তুমি কেতিয়ালৈকে প্ৰতীক্ষা কৰি থাকিবা?”
১১তেওঁলোকক প্ৰত্যেককে এখন এখন বগা বস্ত্ৰ দিয়া হল
আৰু তেওঁলোকক কোৱা হল অলপ সময়লৈকে আৰু
প্ৰতীক্ষা কৰা, যেতিয়া লৈকে তেওঁলোকৰ সকলো সহদাস
সকলৰ সংখ্যা পূৰ হোৱালৈকে যিবিলাকৰ বধ হবলগীয়া
আছে, যেনেকৈ তোমালোকক কৰা হল।
১২পাছে যেতিয়া মেৰ পোৱালিয়ে যষ্ঠ ছাৰ মেলিলে মই
দেখিলোঁ যে তাত এটা মহা-ভূমিকম্প হল। সূৰ্য্য কলা পৰি
গল যেনেকৈ শোক কৰি থকা ব্যক্তিৰ কাপোৰৰ নিচিনা
আৰু চন্দ্ৰয়ো সম্পূৰ্ণ তেজৰ দৰে ৰঙা পৰি গল। ১৩আকাশৰ
তৰাবোৰ পৃথিৱীত সৰি পৰিব ধৰিলে যেনেকৈ বতাহে লৰোৱা
ডিমৰু গছৰ আপইতা গুটি যেনেকৈ সৰি পৰে। ১৪আকাশ
ফাটি গল আৰু এই নুৰিওৱা পুথিৰ সমান হল। সকলো পৰ্বত
আৰু দ্বীপবোৰক নিজৰ নিজৰ স্হানৰ পৰা লৰোৱা হল।
১৫জগতৰ ৰজা, শাসক, সেনাপতি, ধনী শক্তিশালী ব্যক্তি
আৰু সকলো লোক আৰু স্বাধীন দাস আৰু লোক বিলাকে
শিলৰপৰ্বতৰ মাজত আৰু গুহাবোৰত নিজকে লুকুৱাই থলে।
১৬আৰু তেওঁলোকে পৰ্বত আৰু শিলবোৰক কৈ আছিল,
“আমাৰ ওপৰত পৰি সেই সিংহাসনত থকা বিৰাজমান জনা
আৰু সেই মেৰ পোৱালিৰ ক্ৰোধৰ পৰা আমাক লুকুৱাই
লোৱা। ১৭তেওঁৰ ক্ৰোধৰ ভয়ঙ্কৰ দিন আহিল। এনে কোন
আছে যে এইবোৰ সহন কৰি থাকিব পাৰে?”

### ইস্ৰায়েলৰ ১, ৪৪, ০০০ লোক

৭ ১ইয়াৰ পাছত পৃথিৱীৰ চাৰিওচুকত চাৰিজন স্বৰ্গদূতক
মই থিয় হৈ থকা দেখা পালোঁ। পৃথিৱীৰ চাৰি বায়ুক
ধৰি আছিল যাতে পৃথিৱীত, সাগৰত আৰু গছ-গছনিবোৰত

বতাহ যে বলিবলৈ নাপায়। ২পাছে মই দেখিলোঁ এজন
আৰু স্বৰ্গদূতে পূৰ্ব দিশৰ পৰা আহি আছে। তেওঁ জীৱিত
ঈশ্বৰৰ মোহৰ লৈ আছিল। আৰু তেওঁ চাৰিওজন
স্বৰ্গদূতবিলাক যিবিলাক পৃথিৱী আৰু আকাশক নষ্ট কৰি
দিবলৈ অধিকাৰ দিয়া হৈছিল, উচ্চ স্বৰে ৰিঙিয়াই কৈ
আছিল, ৩যেতিয়ালৈকে আমি নিজৰ ঈশ্বৰৰ দাসবিলাকক
কপালত ছাৰ নামাৰোমানে, তেতিয়ালৈকে তোমালোক
পৃথিৱী, সাগৰ আৰু গছ-গছনিবোৰক হানি নকৰিবা।”
৪পাছে যি লোক বিলাকক ছাৰ মৰা হৈছিল, মই তাৰ
সংখ্যা শুনিলোঁ। তেওঁবিলাক এক লাখ চৌৰাল্লিশ হাজাৰ
আছিল। যিবিলাকক ছাৰ মৰা হৈছিল, ইস্ৰায়েলৰ সকলো
ফৈদৰ সমূহৰ আছিল:

| | |
|---|---|
| ৫ যিহূদাৰ পৰিয়াল সমূহৰ | ১২,০০০ |
| ৰুবেনৰ পৰিয়াল সমূহৰ | ১২,০০০ |
| গাদৰ পৰিয়াল সমূহৰ | ১২,০০০ |
| ৬ আচেৰৰ পৰিয়াল সমূহৰ | ১২,০০০ |
| নপ্তালীৰ পৰিয়াল সমূহৰ | ১২,০০০ |
| মনচিৰ পৰিয়াল সমূহৰ | ১২,০০০ |
| ৭ চিমিয়োনৰ পৰিয়াল সমূহৰ | ১২,০০০ |
| লেবীৰ পৰিয়াল সমূহৰ | ১২,০০০ |
| ইচাখৰৰ পৰিয়াল সমূহৰ | ১২,০০০ |
| ৮ জবুলূনৰ পৰিয়াল সমূহৰ | ১২,০০০ |
| যোচেফৰ পৰিয়াল সমূহৰ | ১২,০০০ |
| বিন্যামীনৰ পৰিয়াল সমূহৰ | ১২,০০০ |

### বিশাল লোক সমূহ

৯ইয়াৰ পাছত মই দেখিলোঁ যে মোৰ আগত এক বিশাল
লোক সমূহ থিয় হৈ আছে যাৰ গণনা কোনেও কৰিব পৰাটো
সম্ভৱ নাছিল। এই সমূহত প্ৰত্যেক জাতিৰ, প্ৰত্যেক ফৈদৰ,
আৰু বংশৰ আৰু প্ৰত্যেক ভাষাৰ লোক আছিল। তেওঁলোক
সিংহাসন আৰু সেই মেৰপোৱালিৰ আগত থিয় হৈ আছিল।
তেওঁলোক বগা বস্ত্ৰ পিন্ধি আছিল আৰু তেওঁলোকে হাতত
খেজুৰৰ ডালি লৈ আছিল। ১০তেওঁলোকে ৰিঙিয়াই কৈ
আছিল, “সিংহাসনত বহি থকা আমাৰ ঈশ্বৰৰ জয় হওক
আৰু মেৰ পোৱালিৰ জয় হওক।”
১১সকলো স্বৰ্গদূত সিংহাসনৰ বৃদ্ধলোক আৰু সেই চাৰিও
প্ৰাণীৰ মাজত থিয় আছিল। সিংহাসনৰ আগত উবুৰি হৈ
প্ৰণিপাত কৰি এই স্বৰ্গদূত বিলাকে ঈশ্বৰৰ উপাসনা কৰিলে।
১২তেওঁলোকে কলে, “আমেন! আমাৰ ঈশ্বৰৰ স্তুতি, মহিমা,
জ্ঞান, ধন্যবাদ, সমাদৰ, পৰাক্ৰম আৰু শক্তি সদা-সৰ্বদায়
হৈয়েই থাকক আমেন!”[a]
১৩তেতিয়া সেই বৃদ্ধবিলাকৰ এজনে মোক প্ৰশ্ন কৰিলে,
“এই বগা বস্ত্ৰধাৰী লোকবিলাক কোন আৰু কৰ পৰা
আহিছে?”

[a] **৭:১২ আমেন** যেতিয়া কোনো ব্যক্তিয়ে আমেন কয় তেন্তে
ইয়াৰ অৰ্থ হয় যে তেওঁ তেওঁৰে সৈতে সন্মত আছে।

১৪মই উত্তৰ দিলো, “মোৰ প্ৰভু আপুনি জানে।”
এনেতে তেওঁ মোক কলে, “এওঁবিলাক সেই
লোকবিলাক হয় যিবিলাকে কঠোৰ ক্লেশৰ পৰা আহি আছে
আৰু তেওঁলোকে নিজৰ বস্ত্ৰ মেৰ পোৱালিৰ তেজেৰে ধূই
শুভ্ৰ বগা কৰিলে।” ১৫এইকাৰণে এতিয়া এওঁলোক ঈশ্বৰৰ
সিংহাসনৰ আগত থিয় হৈ তথা মন্দিৰত দিনে ৰাতিয়ে
তেওঁৰ আৰাধনা কৰে। তেওঁ যি জনা সিংহাসনত বিৰাজমান
তেওঁলোকৰ ভিতৰত নিবাস কৰি তেওঁলোকৰ ৰক্ষা কৰিব।
১৬তেওঁলোকৰ কেতিয়াও ভোক নালাগিব আৰু পিয়াহো
নালাগিব। সূৰ্য্যই তেওঁলোকৰ একো হানি নকৰিব আৰু
প্ৰখৰ ৰদেও তেওঁলোকক নতপায়। ১৭কিয়নো সেই মেৰ
পোৱালিয়ে যি সিংহাসনৰ মাজত আছে তেওঁ চোৰা-চিতা
কৰিব। তেওঁ তেওঁলোকক জীৱন জলৰ ভুমুকৰ ওচৰলৈ
লৈ যাব আৰু ঈশ্বৰে তেওঁলোকৰ চকুৰ পৰা আটাইবোৰ
চকুলো মচি দিব।”

### সপ্তম মোহৰ

৮ ১পাছে যেতিয়া মেৰ পোৱালিয়ে সপ্তম ছাৰ মেলিলত
স্বৰ্গত প্ৰায় আধা ঘন্টামান নিস্তব্ধ হৈ গল। ২আৰু
মই ঈশ্বৰৰ আগত থিয় হোৱা সাতজন স্বৰ্গদূতত দেখিলোঁ।
তেওঁলোকক সাতোটা তূৰী প্ৰদান কৰা হল।
৩পাছে আৰু এজন স্বৰ্গদূত আহিল আৰু বেদীত থিয় হল।
তেওঁৰ লগত সোণৰ ধূপধাৰ আছিল। সেইটো পবিত্ৰবিলাকৰ
প্ৰাৰ্থনাৰ সৈতে সোণৰ সেই বেদীত যি সিংহাসনৰ আগত
আছিল, তাত লগাবলৈ ভালেমান ধূপ দিয়া হল। ৪আৰু
স্বৰ্গদূতৰ হাতৰ পৰা সেই ধূপধাৰৰ সেই ধূৱাঁ পবিত্ৰবিলাকৰ
প্ৰাৰ্থনাৰ সৈতে ঈশ্বৰৰ সন্মুখলৈ উঠিল। ৫ইয়াৰ পাছত
স্বৰ্গদূত জনে ধূপধাৰ লৈ, সেইটোত বেদীৰ জুই ভৰালে আৰু
জোৰেৰে পৃথিৱীলৈ পেলাই দিলে। তাতে মেঘ-গৰ্জন, ভীষণ
শব্দ, বিজুলী, আৰু ভূমিকম্প হব ধৰিলে।

### সাতজন স্বৰ্গদূৰ তূৰী বাদ্য

৬পাছে সেই সাতজন স্বৰ্গদূতে, যিবিলাকৰ হাতত সাতোটা
তূৰী আছিল, সেইবোৰ বজাবলৈ যুগুত হল।
৭প্ৰথমজন স্বৰ্গদূতে তূৰী বজালত তেজ মিহলি হৈ শিলা
আৰু জুই একলগে দেখা পোৱা গল আৰু সেইটো পৃথিৱীত
জোৰেৰে পেলাই দিয়া হল। যিহতে পৃথিৱীৰ তিনিভাগৰ
এভাগ জ্বলি চাই হৈ গল। তিনিভাগৰ এভাগ গছকো পূৰা
হল, আৰু পৃথিৱীৰ সকলো তৃণ চাই হৈ গল।
৮দ্বিতীয় স্বৰ্গদূতে তূৰী বজালত অগ্নিৰে জ্বলি থকা
এটা বিশাল পৰ্বতৰ নিচিনা সাগৰত পেলাই দিয়া হল।
তাতে তিনিভাগৰ এভাগ সাগৰ তেজত মিহলি হৈ গল।
৯আৰু সাগৰৰ তিনিভাগৰ এভাগ জীৱ-জন্তু মৰি গল আৰু
তিনিভাগৰ এভাগ জাহাজবোৰো নষ্ট হল।
১০তৃতীয় স্বৰ্গদূতে যেতিয়া তূৰী বজালে আকাশৰ পৰা
অৰিয়াৰ নিচিনা জ্বলি থকা এটা বিশাল তৰা পৰিল। এই তৰা
নদীবিলাকৰ তিনিভাগৰ এভাগত পৰিল ১১এই তৰাৰ নাম

নাগদানা সেয়ে সকলো জলৰ এক তৃতিয়াংশ নাগদানাত[a]
পৰিণত হল। আৰু সেই পানীৰ পৰা অনেক লোক মৰিল।
কিয়নো পানী তিতা হৈ গৈছিল।
১২যেতিয়া চতুৰ্থ স্বৰ্গদূতে তূৰী বজালত এক তৃতীয়াংশ সূৰ্য্য,
আৰু লগতে এক তৃতীয়াংশ চন্দ্ৰয়ো আৰু এক তৃতীয়াংশ
তৰাবোৰৰ পোহৰ আন্ধাৰময় হল। তাতে সেইবিলাকৰ এক
তৃতীয়াংশ কলা হৈ পৰিল। পৰিণাম স্বৰূপে এক তৃতীয়াংশ
পোহৰত আৰু এক তৃতীয়াংশ অন্ধকাৰত ডুব গল।
১৩পাছে মই দেখিলোঁ এটা প্ৰকাণ্ড কুৰৰ পক্ষীয়ে
আকাশত উৰি আছে। মই তাৰ উচ্চ স্বৰে কৈ থকা মাত
শুনিলোঁ, "যি বাকী আৰু তিনিজন স্বৰ্গদূতে তূৰী বজাবলৈ
উদ্যত থকা দেখি, পৃথিৱীৰ নিবাসীবিলাকৰ সন্তাপ! সন্তাপ!
সন্তাপ! হব!"

### পঞ্চম তূৰীৰ প্ৰথম আতংক

৯ ১পঞ্চম স্বৰ্গদূতে যেতিয়া নিজৰ তূৰী বজালে তেতিয়া
মই আকাশৰ পৰা পৃথিৱীলৈ পৰা এটা তৰা দেখিলোঁ।
ইয়াক সেই অগাধ কুণ্ডৰ চাবি দিয়া হল যিটো পাতাললৈ
নামে। ২পাছে সেই তৰাটোৱে সেই অগাধ কুণ্ডৰ তলা
খুলিলে যিটো পাতাললৈ নামে আৰু অগাধ কুণ্ডৰ পৰা লগে
লগেই ধূৱাঁ ওলাই আহিল যেনে অগ্নিকুণ্ডৰ পৰা ওলোৱা
ধৰণে। সেয়ে কুণ্ডৰ পৰা ওলোৱা ধুৱাঁৰ পৰা সূৰ্য্য আৰু
আকাশ কলা হৈ পৰিল।
৩তেতিয়া সেই ধুৱাঁৰ পৰা পৃথিৱীলৈ কচুৱা ফৰিং ওলাই
আহিল। সেইবিলাকক কেকোৰা বিছাৰ দৰে ক্ষমতা দিয়া
হল। ৪কিন্তু সেইবিলাকক কৈ দিয়া হল যে সিবিলাকে
পৃথিৱীৰ তৃণ বা কেছা শাক বিলাকক বা গছবোৰক হিংসা
নকৰিবলৈ কোৱা হল। সিবিলাকক মাত্ৰ সেই লোকবিলাকৰ
হানি কৰিবলৈ কোৱা হল যিবিলাকৰ কপালত ঈশ্বৰৰ
মোহৰ নাই। ৫কচুৱা ফৰিংৰ দলটোক নিৰ্দেশ দিয়া হল যে
সিবিলাকে যেন মানুহৰ প্ৰাণ নলয় কিন্তু পাঁচ মাহলৈকে
তেওঁলোকক যাতনা পোৱাই থাকিবলৈ কোৱা হল। সেই
যাতনা যি তেওঁলোকক দিয়া হৈছিল, যেনেকৈ কোনো
ব্যক্তিক বিছাই ডাকিলে হয়। ৬সেই পাঁচ মাহৰ ভিতৰত
মানুহবিলাকে মৃত্যুক বিচাৰি ফুৰিব কিন্তু মৃত্যুক বিচাৰি
নাপাব। তেওঁলোকে মৰিবলৈ আকাংক্ষা কৰিব কিন্তু মৃত্যুৱে
তেওঁলোকৰ পৰা পলাব।
৭আৰু এতিয়া চোৱা সেই ফৰিংবোৰ যুদ্ধৰ বাবে সাজু হৈ
থকা ঘোৰাৰ দৰে দেখা পোৱা গৈছিল। সিবলাকৰ মূৰত
সূবৰ্ণময় কিৰীটি বন্ধা আছিল। সিবিলাকৰ মুখমণ্ডল মানুহৰ
সমান আছিল। ৮সিবিলাকৰ চুলি তিৰোতাবিলাকৰ চুলিৰ
নিচিনা আছিল আৰু সিবিলাকৰ দাঁত সিংহৰ দৰে আছিল।
৯সিবিলাকৰ বুকুবৰি লোহাৰ দৰে আছিল। সিবিলাকৰ
ডেউকাৰ শব্দ যুদ্ধত যোৱা সময়ত অখ্যংস ঘোৰাৰ ৰথৰ
শব্দৰ সমান আছিল। ১০সিবিলাকৰ নেজ কেকোৰা আৰু
বিছাৰ দৰে। আৰু সিবিলাকক মানুহবিলাকক পাঁচমাহলৈকে
হিংসা কৰিবলৈ ক্ষমতা দিয়া হৈছিল। ১১পাতালৰ অধিকাৰী
দূতক সিবিলাকে নিজৰ ৰজা হিচাপে মানিছিল। ইব্ৰী ভাষাত
তেওঁৰ নাম আৱদ্দোন।[b] আৰু গ্ৰীক ভাষাত আপল্লুয়োন
(অৰ্থাত বিনাশকাৰী) কোৱা হয়।
১২প্ৰথম মহান সন্তাপ পাৰ হৈ গল কিন্তু ইয়াৰ পাছত
এতিয়া আৰু দুটা ডাঙৰ সন্তাপ আহিবলগীয়া আছে।

### ষষ্ঠ তূৰীয়ে বজোৱা

১৩পাছে ষষ্ঠ স্বৰ্গদূতে যেনেকৈয়ে নিজৰ তূৰী বজালে,
তেনেকুৱাই মই ঈশ্বৰৰ আগত এটা সোনালী বেদী
দেখিলোঁ। তাৰ চাৰিটা শিঙৰ পৰা আহি থকা এটা ধ্বনি
শুনিলোঁ।, ১৪তূৰী লৈ থকা সেই ষষ্ঠ স্বৰ্গদূতে সেই শব্দৰে
কলে, "সেই চাৰিজন স্বৰ্গদূতত মুক্ত কৰি দিয়া যিবিলাক
ফৰাৎ মহানদীৰ ওচৰত বান্ধি থোৱা আছে।"
১৫সেয়ে চাৰিওজন স্বৰ্গদূতক মুকলি কৰি দিয়া হল।
সিবিলাকে সেই সময়তে, সেই দিনাই, সেই মাহতেই, আৰু
সেই বছৰৰ কাৰণেই যুগুত ৰখা হৈছিল যাতে তেওঁলোকে
এক তৃতীয়াংশ মানুহক মাৰি পেলায়। ১৬তেওঁলোকৰ সম্পূৰ্ণ
সংখ্যা কিমান আছিল, এইটো মই শুনিলোঁ। ঘোঁৰাত উঠা
সৈন্যৰ সংখ্যা বিশ কোটি আছিল।
১৭সেই মোৰ দিব্য দৰ্শনত সেইবিলাক ঘোঁৰা আৰু তাত
উঠি থকাবিলাকক মই এই ৰূপ দেখা পালোঁ, তেওঁলোকে
যি বুকুবৰি ধাৰণ কৰিছিল সেইটো অগ্নিময়, নীলবৰ্ণ, আৰু
গন্ধকৰ দৰে নীলা আছিল। ১৮এই তিনিটা মহাবিনাশৰ অৰ্থাত
তেওঁলোকৰ মূখৰ পৰা ওলোৱা অগ্নি, ধোঁৱা, আৰু গন্ধকেৰে
এক তৃতীয়াংশ মানৱ জাতিক মাৰি পেলোৱা হল। ১৯এই
ঘোঁৰা বিলাকৰ শক্তি সিবিলাকৰ মূখত আৰু নেজত আছিল
কিয়নো সিবিলাকৰ নেজ বিষাক্ত সাঁপৰ সমান আছিল যাৰ
প্ৰয়োগেৰে সিবিলাকে মানুহৰ হিংসা কৰিছিল।
২০তথাপিও বাকী থকা এনে লোক আছিল যিবিলাকে
মহাবিনাশৰ পৰা মৰা নাছিল তেওঁবিলাকে নিজৰ হাতেৰে
কৰা কৰ্ম্মৰ বাবে এতিয়াও মন পালটন নকৰি ভূত-প্ৰেত
বা সোণ, ৰূপ, পিতল শিল আৰু কাঠেৰে সজা মুৰ্তিবোৰ
উপাসনা কৰিব নেৰিলে, যিবোৰে দেখিও নাপায়, শুনিবও
নোৱাৰে, আৰু ফুৰিবও নোৱাৰে। ২১তেওঁলোকে নিজৰ
দ্বাৰা কৰা নৰ-বধ, মায়াকৰ্ম্ম, ব্যাভিচাৰ আৰু চুৰ এইবোৰৰ
পৰাও মন নাপালটালে।

### স্বৰ্গদূত আৰু সৰু পুথি

১০ ১পাছে মই আকাশৰ পৰা নামি থকা এজন আৰু
বলাৱন স্বৰ্গদূতক দেখিলোঁ। তেওঁ মেঘক পিন্ধি
আছিল আৰু তেওঁৰ মূৰৰ আশে-পাশে মেঘ ধনু আছিল।
তেওঁৰ মূখমণ্ডল সূৰ্য্যৰ সমান আৰু তেওঁৰ ভৰি অগ্নি স্তম্ভৰ

[a] **৮:১১ নাগদানা** মূলতে ই আপচিন্তোচ যি গ্ৰীক ভাষাৰ শব্দ। আৰু যাৰ ইংৰাজী অনুবাদ, "ব্ৰম্মবোড" যাৰ অৰ্থ এটা বহুত তিতা গছ। এই কাৰণে ইয়াক গভীৰ দু:খৰ প্ৰতীক বুলি গণ্য কৰা হয়।

[b] **৯:১১ আৱদ্দোন** অৰ্থাৎ বিনাশৰ স্হান। চাওঁক ইয়োব ২৬:৬ আৰু গীতমালা ৮৮:১১

নিচিনা আছিল। ২নিজৰ হাতত তেওঁ এটা সৰু খোলা পুথিৰ নুৰা লৈ আছিল। তেওঁ নিজৰ সোঁ ভৰিখন সমুদ্ৰত আৰু বাঁও ভৰিখন পৃথিৱীত থলে। ৩আৰু তেওঁ সিংহৰ দৰে গুজৰা সমান মাতেৰে উচ্চ স্বৰে ৰিঙিয়ালে। তেওঁৰ ৰিঙিওৱাত মই সাতটা মেঘ-গৰ্জনৰ শব্দ শুনিবলৈ পালোঁ।

৪যেতিয়া সাতোটা গৰ্জন হৈ গল আৰু মই লিখিবলৈ লওঁতে, মই এটা আকাশবাণী শুনিলোঁ, “সাতোটা মেঘ গৰ্জনে যি যি কলে, সেইবোৰ লুকুৱাই ৰাখা সেইবোৰ নিলিখিবা।”

৫পাছে সেই স্বৰ্গদূত জনে যাক মই সমুদ্ৰ আৰু পৃথিৱীৰ ওপৰত থিয় হোৱা দেখিছিলোঁ, আকাশত নিজৰ হাত দাঙিলে। ৬আৰু যি জনা জীৱিত আছে, যি জনাই আকাশ আৰু পৃথিৱীত তথা সামুদ্ৰ আৰু যি যি আছে, সেই সকলোৰে সৃষ্টি কৰিছে, তেওঁৰ নাম লৈ শপত খাই কলে, “এতিয়া আৰু পলম নহব।” ৭কিন্তু যেতিয়া সপ্তম স্বৰ্গদূতে নিজৰ তূৰী বজাবলৈ সময় হব অৰ্থাত যেতিয়া তেওঁ নিজৰ তূৰী বজাবলৈ উদ্যত হব তেতিয়া ঈশ্বৰৰ সেই গুপ্ত পৰিকল্পনা সম্পূৰ্ণ হৈ যাব যিটো তেওঁ নিজৰ দাস আৰু ভাববাদীসকলক দিছিল।

৮সেই আকাশবাণীয়ে, যিটো মই শুনিছিলোঁ, মোক আকৌ কলে, “যোৱা আৰু সেই স্বৰ্গদূতৰ পৰা যি জন সমুদ্ৰ আৰু পৃথিৱীত থিয় হৈ আছে, তেওঁৰ হাতৰ পৰা সেই খোলা পুথিৰ নুৰাটো লৈ লোৱা।”

৯সেয়ে মই সেই স্বৰ্গদূতৰ ওচৰত গলোঁ আৰু মই তেওঁক কলোঁ যে সেই সৰু পুথিক মোক দিয়ক। তেওঁ মোক কলে, “এইটো লোৱা আৰু খাই পোলোঁৱা। ইয়াৰে তোমাৰ পেটত তিতা হৈ যাব কিন্তু মূখত মৌতকৈয়ো অধিক মিঠা হৈ যাব।” ১০পাছে সেই স্বৰ্গদূতৰ পৰা মই সেই সৰু পুথিৰ নুৰাটো লৈ ললোঁ আৰু মই সেইখন খালোঁ। মোৰ মুখত সেইখন মৌৰ নিচিনা সোৱাদ লাগিল কিন্তু মই গিলিলতত মোৰ পেট তিতা হৈ গল। ১১তাতে তেওঁ মোক কলে, “তুমি বহুত লোকবিলাক, ৰাষ্ট্ৰ, ভাষাবোৰৰ, আৰু ৰজাবিলাৰ বিষয়ে আকৌ ভাৱোক্তি প্ৰচাৰ কৰিব লাগিব।”

## দুজন সাক্ষী

**১১** ১ইয়াৰ পাছত জুখিবলৈ এডাল নল দিয়া হল যিটো জুখিবলৈ ব্যৱহাৰ কৰা দৰে দেখা গৈছিল। মোক কোৱা হল, “উঠা আৰু ঈশ্বৰৰ মন্দিৰৰ আৰু বেদীৰ জোখ লোৱা, আৰু যিবিলাকে মন্দিৰৰ ভিতৰত আৰাধনা কৰি আছে, তেওঁলোকৰ হিচাপ কৰা। ২কিন্তু মন্দিৰৰ চোতাল বাদ দিবা, সেইখন নুজুখিবা কিয়নো সেইখন পৰজাতিবীলাকক দিয়া হল। তেওঁলোক বিয়াল্লিশ মাহলৈকে নিজৰ ভৰিৰে পবিত্ৰ নগৰ গচকিব। ৩মই নিজৰ দুজন সাক্ষীক মুকলিকৈ এৰি দিম আৰু তেওঁলোকে এক হাজাৰ দুশ ষাষ্ঠি দিনলৈকে ভাৱবাণী প্ৰচাৰ কৰিব। তেওঁলোক ঊণৰ দৰে বস্ত্ৰ পৰিধান কৰিব যিটো শোক প্ৰকাশ কৰিবলৈ পিন্ধা হয়।”

৪এই দুজন সাক্ষী দুজোপা জলফাই গছ আৰু দুটা দীপাধাৰস্বৰূপ যি পৃথিৱীত প্ৰভুৰ আগত থিয় হৈ থাকে। ৫যদি কোনোবাই তেওঁবিলাকক হিংসা কৰিব বিচাৰে তেন্তে তেওঁবিলাকৰ মূখৰ পৰা জুই ওলায় আৰু তেওঁৰ শত্ৰুবোৰক গ্ৰাস কৰি পেলায়। সেয়ে যদি কোনোবাই তেওঁলোকক হিংসা কৰে তেন্তে এইটো নিশ্চিত যে তেওঁ তেনেদৰেই মৃত্যু হৈ যাব। ৬তেওঁবিলাকৰ আকাশক বান্ধি থব পৰা ক্ষমতা আছে যাতে যেতিয়া তেওঁলোক ভাৱবাণী কোৱাৰ সময়ত, বৰষুণ যেন নবৰ্ষে। তেওঁলোকৰ পানীৰ সোঁতৰ ওপৰতো অধিকাৰ আছিল যিহতে তেওঁলোক পানীক তেজলৈ সলনি কৰিব পাৰিছিল। তেওঁবিলাকত এনেকুৱাও শক্তি আছিল তেওঁলোকে যিমান বাৰ বিচাৰে, সিমান বাৰ পৃথিৱীৰ োপৰত সকলো প্ৰকাৰৰ বিনাশৰ আঘাত কৰিব পাৰিছিল।

৭তেওঁলোকৰ সাক্ষী দিয়াৰ পাছত, এটা পশু সেই অগাধ ঠাইৰ পৰা ওলাই আহিব আৰু তেওঁলোকক আক্ৰমণ কৰিব। সি তেওঁলোকক পৰাজিত কৰি বধ কৰিব। ৮তেওঁবিলাকৰ শৱ মহানগৰৰ ৰাস্তাত পৰি থাকিব। এই নগৰ প্ৰতীক ৰূপে চদোম আৰু মিচৰ কোৱা হয়। ইয়াতেই তেওঁলোকৰ প্ৰভুকো ক্ৰুচত তুলি বধ কৰা হৈছিল। ৯সকলো জাতি, উপজাতি, ভাষা-ভাষি আৰু দেশৰ লোক বিলাকে তেওঁলোকৰ শৱ বিলাক চাৰে তিনি দিনলৈকে চাই থাকিব আৰু তেওঁলোকৰ শৱ বিলাক মৈদামত থবলৈ নিদিব। ১০পৃথিৱীৰ নিবাসীবিলাকে তেওঁবিলাকৰ ওপৰত আনন্দিত হৈ ৰং কৰিব। তেওঁলোকে পৰস্পৰক উপহাৰ পঠাব। কিয়নো এই দুয়ো ভাববাদীয়ে পৃথিৱীৰ নিবাসীবিলাকক বহুত যাতনা দিছিল।

১১কিন্তু চাৰে তিনি দিনৰ পাছত ঈশ্বৰৰ পৰা তেওঁলোকত জীৱাত্মা প্ৰৱেশ কৰিলে আৰু তেওঁলোকে নিজৰ ভৰিত থিয় হৈ গল। যিবিলাকে তেওঁলোকক দেখিলে, তেওঁলোকে অতিকৈ ভয় খালে। ১২পাছে সেই দুয়ো ভাৱবাদীয়ে উচ্চ স্বৰে আকাশবাণীয়ে তেওঁলোকক কোৱা শুনিলে, “ইয়াৰ ওপৰলৈ আহি আহাঁ” সেয়ে তেওঁলোক আকাশৰ ভিতৰেদি মেঘ-ৰথেৰে ওপৰলৈ গুচি গল। তেওঁলোকক ওপৰলৈ যোৱাটো তেওঁলোকৰ বিৰুদ্ধী বিলাকে দেখিলে।

১৩ঠিক সেই সময়তে তাত এটা বৰ ভূমিকম্প হল আৰু নগৰখনৰ দশম ভাগ খহি পৰিল। ভূমিকম্পত সাত হাজাৰ লোক হত হল আৰু যিবিলাকে বাছি আছিল, তেওঁলোকে অতিশয় ভয় পালে আৰু স্বৰ্গৰ ঈশ্বৰৰ গৌৰৱ কৰিবলৈ ধৰিলে।

১৪এইদৰে এতিয়া দ্বিতীয়টো সন্তাপ পাৰ হল কিন্তু সাৱধান তৃতীয় মহাসন্তাপ বেগাই আহিছে।

## সপ্তম তূৰীয়ে বজোৱা

১৫সপ্তম স্বৰ্গদুতে যেতিয়া নিজৰ তূৰী বজালে তাতে আকাশত ভীক্ষন শব্দ হবলৈ ধৰিলে। সেইটোৱে কৈ আছিল:

“এতিয়া জগতৰ ৰাজ্য আমাৰ প্ৰভুৰ, আৰু তেওঁৰ
খ্ৰীষ্টৰ হল।

এতিয়া তেওঁ সুশাসনৰে সদা-সৰ্বদায় ৰাজত্ব
কৰিব।”

১৬আৰু তেতিয়া ঈশ্বৰৰ আগত নিজৰ নিজৰ সিংহাসনত
থকা চৌবিশজন বৃদ্ধলোকে উবুৰি হৈ প্ৰণিপাত কৰিলে।
১৭তেওঁলোকে কলে:

“হে সৰ্বশক্তিমান প্ৰভু ঈশ্বৰ, যি বৰ্তমান, যি আছিল,
আমি তোমাৰ ধন্যবাদ কৰোঁ।
তুমিয়েই নিজৰ মহা-পৰাক্ৰম লৈ
সকলো শাসনৰ আৰম্ভ কৰিলা।
১৮ পৰজাতিবিলাকৰ খং উঠিছিল
কিন্তু এতিয়া তোমাৰ ক্ৰোদ্ধৰ সময়
আৰু বিচাৰৰ সময় আহিল।
তেওঁলোকৰ যি প্ৰাণ আছিল সোধ বিচাৰ কৰা।
আৰু সময় আহিল যে তোমাৰ দাস বিলাকে প্ৰতিফল
পাওক
সকলো ভাৱবাদীবিলাক, তোমাৰ সকলো লোক
আৰু সকলোৰে যিবিলাকে তোমাক আদৰ কৰে।
আৰু সকলো যিবিলাকে সৰু আৰু সকলো বৰ
জন হৈছে নিজৰ প্ৰতিফল পাওঁক।
তেওঁলোকক নাশ কৰিবৰ সময় আহিল, যিবিলাকে
পৃথিৱীক নাশ কৰি আছে।”

১৯পাছে স্বৰ্গত থকা ঈশ্বৰৰ মন্দিৰক খোলা হল তাতে
সেই মন্দিৰত সেই নিয়ম-চন্দুক দেখা গল। আৰু বিজুলীৰ
ৰশ্মিৰে আলোড়িত হৈ মেঘৰ গৰ্জন আৰু ভয়ঙ্কৰ মাতৰ
শব্দৰে ভূমিকম্প আৰু ভয়ঙ্কৰ শিলাবৃষ্টি হব ধৰিলে।

### তিৰোতা আৰু বিশাল অজগৰ

১২ ১ইয়াৰ পাছত আকাশত এটা বৃহৎ চিহ্ন প্ৰকাশ
হল: এজনী তিৰোতা দেখা পোৱা গল যি সূৰ্য্যক
পিন্ধি আছিল, আৰু চন্দ্ৰ তেওঁৰ ভৰিৰ তলত আছিল।
তেওঁৰ মূৰত কিৰীটি আছিল যিটোত বাৰটা তৰা আছিল।
২তাই গৰ্ভৱতী আছিল। আৰু কিয়নো তাই প্ৰসৱ বেদনাত
পীড়িত হৈ আটাহ পাৰি আছিল।
৩স্বৰ্গত এটা আৰু চিহ্ন প্ৰকাশিত হল। মোৰ ওচৰতেই
ৰঙা ৰঙৰ বিশাল অজগৰ থিয় আছিল। তাৰ সাতোটা মূৰত
সাতোটা কিৰীটি আছিল। ৪তাৰ নেজে আকাশৰ তৰাবোৰৰ
এক তৃতীয়াংশ টানি পৃথিৱীত তললৈ পেলাই দিলে। সেই
তিৰোতা যি প্ৰসৱ কৰিবলৈ উদ্যত আছিল, সেই অজগৰে
ওচৰতে থিয় হৈ আছিল যাতে সন্তান প্ৰসৱ কৰা মাত্ৰেই, সি
সেই সন্তানটোক গ্ৰাস কৰিব।
৫পাছে সেই তিৰোতাই এটি সন্তান জন্ম দিলে সেইটো
পুত্ৰ সন্তান আছিল। তেওঁক সকলো জাতিৰ ওপৰত লোহাৰ
দণ্ডৰে শাসন কৰিব। কিন্তু সেই সন্তানটিক উঠাই ঈশ্বৰৰ
আৰু তেওঁৰ সিংহাসনৰ আগত লৈ যোৱা হল। ৬আৰু সেই
তিৰোতা জনীয়ে নিৰ্জন অৰণ্যলৈ পলাই গৈ এনে এখন ঠাই
যিখন ঈশ্বৰে তাইৰ বাবেই তৈয়াৰ কৰিছিল যাতে তাত তাই
এহেজাৰ দুশ ষাঠি দিনলৈকে প্ৰতিপালিত হৈ জীয়াই থাকে।
৭পাছে স্বৰ্গত এখন যুদ্ধ হল। মীখায়েল আৰু তেওঁৰ
স্বৰ্গদূতবিলাকৰ সেই বিশাল অজগৰৰ লগত সংঘৰ্ষ হল।
সেই অজগৰেও নিজৰ দূত বিলাকৰ সৈতে যুদ্ধ কৰিলে।
৮কিন্তু সি তেওঁলোকৰ ওপৰত বলে নোৱাৰিলে, সেয়ে
স্বৰ্গত তেওঁলোকৰ ঠাই তেওঁলোকৰ হাতৰ পৰা গুচি গল।
৯আৰু সেই বিশাল অজগৰক তললৈ পেলোৱা হল। এইটো
সেই পুৰনি মহানাগ যাক দিয়াবল বা চয়তান কোৱা হয়।
এইটোৱে সমগ্ৰ জগতক চলনা কৰি থাকে। হয়, ইয়াক
পৃথিৱীলৈ পেলোৱা হল।
১০পাছে মই উচ্চ স্বৰে এটা আকাশবাণীক কোৱা শুনিলোঁ,
“এইটো আমাৰ ঈশ্বৰৰ বিজয়ৰ সময়। তেওঁ নিজৰ শক্তি
আৰু নিজ প্ৰভুত্বক জনালে। তেওঁকে খ্ৰীষ্টই নিজৰ শক্তিক
প্ৰদৰ্শন কৰিলে কিয়নো আমাৰ ভাই বিলাকত ঈশ্বৰৰ
আগত দিনে-ৰাতিয়ে ভ্ৰান্তি জন্মোৱাত তললৈ পেলোৱা
হল। ১১তেওঁ মেৰ পোৱালিৰ বলিদানৰ তেজ আৰু তেওঁৰ
দ্বাৰা দিয়া সাক্ষ্যৰে তাক হৰুৱালে। তেওঁ নিজৰ প্ৰাণক
পৰিত্যাগ কৰালৈকে নিজৰ জীৱনৰ চিন্তা নকৰিলে। ১২সেয়ে
হে স্বৰ্গ, আৰু স্বৰ্গৰ নিবাসীবিলাক, আনন্দ কৰা। কিন্তু হায়,
পৃথিৱী আৰু সমুদ্ৰ, তোমালোকৰ কাৰণে বহুত সন্তাপ হব
কিয়নো চয়তানে এতিয়া তোমালোকৰ তাত নামি আহিল।
সি খংঙত চটফটাই আছে। কিয়নো সি জানে যে এতিয়া
তাৰ অলপহে সময় আছে।”
১৩যেতিয়া সেই বিশাল অজগৰে চালে যে তাক পৃথিৱীলৈ
পেলোৱা হৈছে সেয়ে সি সেই তিৰোতাৰ পিছ লবলৈ আৰম্ভ
কৰি দিলে। যি জনীয়ে সন্তান জন্ম দিছিল। ১৪কিন্তু সেই
তিৰোতাক কুৰৰ পক্ষীৰ দৰে দুখন ডেউকা দিয়া হল যাতে
তেওঁ সেই বন অৰণ্যৰ পৰা উৰি যায়, যিটো তাইৰ কাৰণে
তৈয়াৰ কৰা হৈছিল। চাৰে তিনি বছৰলৈকে তাতে সেই
বিশাল অজগৰৰ পৰা দূৰত থাকি প্ৰতিপালিত হবলগীয়া
আছিল। ১৫তেতিয়া সেই মহা নাগে সেই তিৰোতাৰ ফালে
নিজৰ মুখৰ পৰা পানীৰ সোঁত বোৱাব ধৰিলে যাতে তাই
তাত উটি ডুবি মৰক। ১৬কিন্তু পৃথিৱীয়ে নিজৰ মুখ খুলি
সেই তিৰোতাৰ উপকাৰ কৰিলে আৰু সেই বিশাল অজগৰে
নিজৰ মুখেৰ যি পানীৰ নদী উলিয়াইছিল সেইবোৰ গ্ৰাস
কৰিলে। ১৭ইয়াৰ পাছত সেই বিশাল অজগৰে তিৰোতাৰ
ওপৰত ক্ৰোদ্ধিত হৈ উঠিল আৰু তেওঁৰ সেই বংশৰ লগতে
যিবিলাকে ঈশ্বৰৰ আদেশবোৰ পালন কৰে আৰু যীচু খ্ৰীষ্টৰ
সাক্ষ্য ধাৰণ কৰে, যুদ্ধ কৰিবলৈ ওলালে।
১৮আৰু সাগৰৰ তীৰত গৈ থিয় হল।

### দুটা পশু

১৩ ১পাছে মই সাগৰৰ পৰা এটা পশুক বাহিৰলৈ
ওলাই অহা দেখিলোঁ। তাৰ দহখন শিং আৰু
সাতটা মূৰ আছিল। আৰু নিজৰ শিং বিলাকত তেওঁ দহখন

ৰাজশ্ৰী কিৰীটি পিন্ধি আছিল। তাৰ মূৰত দুষ্ট নাম অংকিত
আছিল। ২মই যি পশুক চাইছিলোঁ, সেইটো নাহৰফুটুকী
বাঘৰ নিচিনা আছিল। তাৰ ভৰি ভালুকৰ নিচিনা আছিল
আৰু মুখ সিংহৰ মুখৰ সমান আছিল। সেই বিশাল অজগৰে
নিজৰ শক্তি, নিজৰ সিংহাসন আৰু নিজৰ সম্পূৰ্ণ অধিকাৰ
তাক দি দিলে।
৩মই দেখিলোঁ যে তাৰ এটা মূৰ এনেকৈ দেখা গৈছিল
যে যেনে তাৰ ওপৰত কোনো ঘাতকৰ ঘাঁ লাগি থকাৰ
দৰে কিন্তু সেই ঘাঁ সুস্হ হৈ পৰিছিল। গোটেই জগতেই
আচৰিত হৈ সেই পশুটোৰ পিছ ললে। ৪আৰু তেওঁলোকে
সেই বিশাল অজগৰটোক প্ৰণিপাত কৰিলে। কিয়নো
তেওঁ নিজৰ সৰ্বোচ্চ অধিকাৰ সেই পশুটোক দি দিছিল।
তেওঁলোকে সেই পশুটোক প্ৰণিপাত কৰি কবলৈ ধৰিলে,
"এই পশুৰ তুল্য কোন আছে? আৰু এনে কোন আছে যি
তাৰে সৈতে যুদ্ধ কৰিব পাৰে?"
৫তাক অনুমতি দি দিয়া হল যে সি অহংকাৰপূৰ্ণ আৰু
নিন্দসুচক শব্দ কবলৈ নিজৰ মুখৰ প্ৰয়োগ কৰক বুলি।
তাক বিয়াল্লিশ মাহলৈকে নিজৰ শক্তিক প্ৰয়োগ কৰাৰ
ক্ষমতা প্ৰদান কৰা হল। ৬সেয়ে সি ঈশ্বৰৰ নিন্দা কৰিবলৈ
আৰম্ভ কৰি দিলে। সি ঈশ্বৰৰ নাম আৰু তেওঁৰ মন্দিৰ
আৰু যি স্বৰ্গত থাকে সেইবিলাকৰ নিন্দা কৰিবলৈ ললে।
৭ঈশ্বৰৰ পবিত্ৰ লোক বিলাকৰ সৈতে যুদ্ধ কৰিবলৈ আৰু
তেওঁলোকক পৰাজয় কৰিবলৈ অনুমতি তাক দি দিয়া হল।
আৰু সকলো বংশ, প্ৰত্যেক জাতি, প্ৰত্যেক পৰিয়ালৰ সমূহ
প্ৰত্যেক ভাষা-ভাষী আৰু প্ৰত্যেক দেশৰ ওপৰত তাক
ক্ষমতা দিয়া হল। ৮পৃথিৱীৰ সেই সকলো নিবাসীয়ে সেই
পশুৰ প্ৰণিপাত কৰিব। যিবিলাকৰ নাম মেৰ পোৱালিৰ জীৱন
পুস্তকত জগতৰ আৰম্ভনি পৰা লিখা নাই যিবিলাকৰ বলিদান
কৰাটো সুনিশ্চিত আছে।
৯যদি কাৰোবাৰ কাণ আছে তেওঁ ইয়াক শুনক:

১০ বন্দীগৃহত বন্দী হোৱা,
যাৰ অভ্যাস হৈ গৈছে তেওঁ নিশ্চয় বন্দীয়েই হব।
যদি কোনোবাই তৰোৱালেৰে বধ কৰে তেন্তে
তেৰোঁ তৰোৱালেৰেই বধ কৰা হব।

ইয়াতেই ঈশ্বৰৰ পবিত্ৰ লোকবিলাকৰ ধৈৰ্য্যপূৰ্ণ সহনশীলতা
আৰু বিশ্বাসৰ অপেক্ষা আছে।

## পৃথিৱীৰ পৰা পশুক উলিওৱা

১১ইয়াৰ পাছত মই পৃথিৱীৰ পৰা ওলাই অহা আৰু এটা
পশুক দেখিলোঁ। তাৰ মেৰৰ পোৱালিৰ শিংৰ দৰে দুটা
শিং আছিল। কিন্তু সি মহানাগৰ সমান কথা কৈছিল।
১২সেই বিশাল অজগৰৰ সমানে প্ৰথমটো পশুৰ দৰেই
সকলো ক্ষমতাৰ প্ৰয়োগ কৰিছিল। সি পৃথিৱী আৰু পৃথিৱীৰ
থকা সকলোকে প্ৰণিপাত কৰোৱালে যিটো পশুৰ ঘাতক
ঘাঁ সুস্হ হৈ আছিল। ১৩দ্বিতীয়টো পশুৱে ডাঙৰ ডাঙৰ
আচৰিত কৰ্ম্ম কৰিলে, আৰু সকলো লোকৰ আগত সি
পৃথিৱীত আকাশৰ পৰা জুই বৰষাই দিলে।
১৪সি পৃথিৱীৰ নিবাসী বিলাক চলনা কৰি গৈ থাকিল
কিয়নো তাৰ লগত প্ৰথম পশুৰ সাক্ষ্যাতত অনেক আচৰিত
চিহ্ন দেখুৱাবলৈ শক্তি আছিল। দ্বিতীয়টো পশুৱে পৃথিৱীৰ
নিবাসীবিলাকৰ হতুৱাই প্ৰথম পশুক আদৰ দিবলৈ যিটোৰ
গাত তৰোৱালৰ ঘাঁ আছিল কিন্তু ভাল হৈ গৈছিল, তাৰ
মুৰ্তি বনাবলৈ কলে। ১৫দ্বিতীয়টো পশুক এই শক্তি দিয়া
হল যে সি প্ৰথম পশুটোৰ মুৰ্তিত প্ৰাণ-বায়ু প্ৰতিষ্ঠা কৰে
যাতে প্ৰথম পশুৰ সেই মুৰ্তি কেৱল কথা কোৱাই নহয়
কিন্তু সেই সকলোকে বধ কৰিবলৈ আদেশো দিব পাৰে
যি বিলাকে এই মুৰ্তিক প্ৰণিপাত নকৰে। ১৬-১৭দ্বিতীয়টো
পশুৱে সৰু ডাঙৰ, ধনী-দুখীয়া সকলোকে বাধ্য কৰালে যে
নিজৰ নিজৰ সোঁহাতত বা কপালত সেই পশুৰ নাম বা
তাৰ নামৰ নম্বৰৰ সংখ্যাৰ ছাৰ নাই লগাই লওক যাতে সেই
ছাৰ ধাৰণ নকৰাকৈ কোনোৱে কিনা-বেচা কৰিব নোৱাৰে।
১৮যাৰ বুদ্ধি আছে, তেওঁ সেই পশুৰ নম্বৰ গণনা কৰি
লওক কিয়নো সেই নম্বৰ কোনো ব্যক্তিৰ নামৰ সৈতে
সমন্বিত। তাৰ নম্বৰ ছয়শ ছয়ষষ্টি।

## মুক্তহোৱা ব্যক্তিসকলৰ গান

১৪ ১পাছে মই দেখিলোঁ যে মোৰ আগত চিয়োন
পৰ্বতত মেৰ পোৱালি থিয় হৈ আছে। তেওঁৰ
লগত এক লাখ চৌৱাল্লিশ হাজাৰ লোক বিলাকেও থিয় হৈ
আছিল যিবিলাকৰ কপালত তেওঁৰ আৰু তেওঁৰ পিতৃৰ নাম
লিখা আছিল।
২পাছে মই এটা আকাশবাণী শুনিলোঁ, মহানদীৰ এক
বিশাল জলপ্ৰপাতৰ সমান আছিল আৰু মেঘ-গৰ্জনৰ নিচিনা
আছিল। যি মহানাদৰ শব্দ মই শুনিছিলো সেইবোৰ অনেক
বীণা বাদকৰ দ্বাৰা বজোৱা বীণাৰে উ-পন্ন হোৱা সংগীতৰ
সমান আছিল। ৩তেওঁলোকে সিংহাসনৰ, চাৰিও প্ৰাণীৰ
আৰু বৃদ্ধলোকৰ আগত এটা নতুন গীত গাই আছিল। যি
এক লাখ চৌৱাল্লিশ হাজাৰ লোকবিলাকক পৃথিৱীৰ পৰা
কিনি লোৱা হৈছিল তেওঁলোকৰ বাহিৰে অন্য কোনো
ব্যক্তিয়ে সেই গীত শিকিব নোৱাৰিলে।
৪তেওঁলোক এনে ব্যক্তি আছিল যিবিলাকে কোনো
তিৰোতাৰ লগত সম্পৰ্ক ৰাখি নিজকে কুলুষিত কৰা
নাছিল। কিয়নো তেওঁলোক অমৈথুন আছিল যত যত মেৰ
পোৱালি গৈছিল, তেওঁলোকে তেওঁৰ অনুসৰণ কৰিছিল।
তেওঁলোক ঈশ্বৰৰ আৰু মেৰ পোৱালিৰ উদ্দেশ্যে প্ৰথম
ফল আছিল। ৫তেওঁলোকে কেতিয়াও মিছা কোৱা নাছিল,
তেওঁলোক নিষ্কলঙ্ক আছিল।

## তিনিজন স্বৰ্গদূত

৬পাছে মই আকাশত উৰি ফুৰা এজন স্বৰ্গদূতক দেখিলোঁ।
তেওঁৰ লগত পৃথিৱীৰ নিবাসীবিলাকৰ প্ৰত্যেক দেশ, জাতি,
ফৈদ, আৰু ভাষাৰ লোকবিলাকৰ কাৰণে শুভবাৰ্তাৰ এটা

অনন্ত সংবাদ আছিল। ৭উচ্চ স্বৰে তেওঁ কলে, “ঈশ্বৰক ভয়
কৰা আৰু তেওঁৰ স্তুতি কৰা। কিয়নো তেওঁৰ বিচাৰ কৰাৰ
সময় আহি পালে। তেওঁৰ আৰাধনা কৰা, যি জনাই আকাশ
পৃথিৱী, সমুদ্ৰ আৰু জলভূমুকবোৰৰ সৃষ্টি কৰিছে।”
৮ইয়াৰ পাছত তেওঁৰ পাছে পাছে আৰু এজন স্বৰ্গদূত
আহিল আৰু কলে, “তাৰ পতন হৈ গল, মহান নগৰ
বাবিলৰ পতন হৈ গল। তেওঁ সকলো জাতিবিলাকক নিজৰ
ব্যাভিচাৰৰ পৰা উৎপন্ন হোৱা ক্ৰোদ্ধৰ বাসনাময় দ্ৰাক্ষাৰস
পান কৰাইছিল।”
৯সেই দুয়োজনৰ পাছত আকৌ এজন স্বৰ্গদূত আহিল
আৰু উচ্চ স্বৰে কলে, “যদি কোনোবাই সেই পশু আৰু
তাৰ মুৰ্তিৰ প্ৰণিপাত কৰে আৰু নিজৰ হাত বা কপালত তাৰ
ছাৱ ধাৰণ কৰে, ১০তেনেহলে তেওঁ ঈশ্বৰৰ ক্ৰোদ্ধ প্ৰকোপৰ
দ্ৰাক্ষাৰস পান কৰিব। এনে কোনো মিহলি নকৰাকৈ যুগুত
কৰা দ্ৰাক্ষাৰস যিটো ঈশ্বৰৰ কোপৰ পান পাত্ৰত যুগুতাই
ৰখা হৈছে। সেই ব্যক্তিক পবিত্ৰ স্বৰ্গদূতবিলাক আৰু মেৰ
পোৱালিৰ আগত জুই আৰু গন্ধকত যাতনা দিয়া হব।
১১যুগ-যুগান্তৰলৈকে তেওঁলোকৰ যাতনাৰ ধোঁৱা উঠি
থাকিব। আৰু যি কাৰোবাৰ কপালত পশুৰ নামৰ ছাৱ
অংকিত হব আৰু যি জনে তেওঁৰ মুৰ্তিৰ প্ৰণিপাত কৰে,
তেওঁ ৰাতিয়ে-দিনে কেতিয়াও জিৰণি নাপাব।” ১২এই
স্হানত ঈশ্বৰৰ সেই পবিত্ৰ লোকৰ ধৈৰ্য্য, সহনশীলতাৰ
অপেক্ষা কৰা হৈছে যিবিলাকে ঈশ্বৰৰ আজ্ঞাবোৰ আৰু
যীচুত নিজৰ বিশ্বাসক পালন কৰে।
১৩পাছে এই আকাশবাণীক মই এইটো কোৱা শুনিলোঁ,
“এইটো লিখা এতিয়াৰে পৰা আগলৈ সেই লোকবিলাকেই
ধন্য হব যিবিলাকে প্ৰভুত থাকি মৰিছে।”
আত্মাই কৈছে, “হয়, এইটোৱেই ঠিক। তেওঁলোক নিজৰ
পৰিশ্ৰমৰ পৰা এতিয়া বিশ্ৰাম পাব কিয়নো তেওঁলোকৰ কৰ্ম্ম
তেওঁলোকৰ লগত আছে।”

## পৃথিৱীৰ শষ্য দোৱা

১৪পাছে মই দেখিলোঁ যে মোৰ আগত তাত এক বগা মেঘ
আছিল। আৰু সেই মেঘত এজন ব্যক্তি বহি আছিল। যি
মানুহৰ পুত্ৰৰ[a] দৰে দেখা পোৱা গৈছিল। তেওঁৰ মূৰত এটা
স্বৰ্ণময় কিৰীটি ধাৰণ কৰি আছিল আৰু তেওঁৰ হাতত এখন
চোকা কাঁচি আছিল। ১৫তেতিয়া মন্দিৰৰ পৰা আৰু এজন
স্বৰ্গদূত বাহিৰলৈ আহিল। তেওঁ যি মেঘত বহি আছিল,
তেওঁক উচ্চ স্বৰে কলে, “কাঁচি লগাই শস্য জমা কৰা
কিয়নো শস্য দোৱাৰ সময় আহিল। পৃথিৱীৰ শস্য পকিল।”
১৬সেয়ে যিজন মেঘত বহি আছিল, তেওঁ পৃথিৱীত নিজৰ
কাঁচি লগালে আৰু পৃথিৱীৰ শস্য দোৱা হল।

[a] **১৪:১৪ মানুহৰ পুত্ৰ** যীচু নিজে নিজৰ কাৰণে প্ৰায় এই নামৰ প্ৰয়োগ কৰিছিল। এই সাথৰক ইব্ৰী বা আৰামী ভাষাত অৰ্থ হয়, “মানৱ” বা “মানৱ জাতি” কিন্তু দানিয়েল ৭:১৩, ১৪ এই শব্দৰ প্ৰয়োগ ভৱিষ্যৎৰ উদ্ধাৰকৰ্তা আৰু ৰজাৰ বাবে ব্যৱহাৰ কৰা হৈছে। পাছত এই শব্দক “খ্ৰীষ্ট” বুলি বুজা গল।

১৭পাছে আকাশত থকা মন্দিৰৰ পৰা এজন আৰু স্বৰ্গদূত
বাহিৰলৈ আহিল। তেওঁৰ লগতো চোকা কাঁচি আছিল।
১৮তেতিয়া বেদীৰ পৰা আৰু এজন স্বৰ্গদূত আহিল। অগ্নিৰ
ওপৰত তেওঁৰ অধিকাৰ আছিল। সেই স্বৰ্গদূতক উচ্চ স্বৰে
কলে, “নিজৰ চোকা কাঁচি প্ৰয়োগ কৰি পৃথিৱীৰ দ্ৰাক্ষালতাৰ
আঙুৰৰ থোপাবোৰ কাটি গোটোৱা, কিয়নো ইয়াৰ আঙুৰ
ভালকৈ পকিল।” ১৯সেয়ে সেই স্বৰ্গদূতে পৃথিৱীত নিজৰ
কাঁচি লগালে আৰু পৃথিৱীৰ আঙুৰ নমালে আৰু সেইবোৰ
ঈশ্বৰৰ ক্ৰোদ্ধৰূপ কুণ্ডত পেলাই দিলে। ২০আঙুৰ নগৰৰ
বাহিৰৰ সেই পেৰাশাল গচকি দিয়া হল। পেৰাশালৰ পৰা
তেজ ওলাই আহিল। তেজ ঘোঁৰাৰ লগামৰ সমান ওখ হৈ
আহিল আৰু প্ৰায় তিনিশ কিলোমিটাৰ দূৰলৈকে বিয়পি গল।

## অন্তিম বিনাশৰ দূত

১৫ ১আকাশত মই আকৌ এটা মহান অদ্ভূত চিহ্ন
দেখিলোঁ। মই দেখিলোঁ যে সাত জন দূত আছে
যিবিলাকে সাতটা অন্তিম মহাবিনাশৰ কাৰণে আছে। এইটো
শেষ বিনাশ কিয়নো ইয়াৰ লগতে ঈশ্বৰৰ ক্ৰোধ সমাপ্ত হৈ
যায়।
২পাছে মই কাঁচৰ এখন সাগৰৰ নিচিনা দেখা পালোঁ
যত জুইৰে মিহলি কৰাৰ দৰে। আৰু মই দেখিলোঁ যে
তেওঁলোকে সেই পশুৰ মুৰ্তি তথা তেওঁৰ নামৰ সমন্ধিত
সংখ্যাৰ পৰা জয় পাই গৈছে। তেওঁলোকেও সেই কাঁচৰ
সাগৰত থিয় হৈ আছে। তেওঁলোকে ঈশ্বৰৰ দ্বাৰা দিয়া
বীণাবোৰ লৈ আছিল। ৩তেওঁলোকে ঈশ্বৰৰ দাস মোচি
আৰু মেৰ পোৱালিৰ এই গীতটি গাই আছিল:

“সেই কৰ্ম্মবোৰ যিবোৰ তুমি কৰি আছা, মহান।
তোমাৰ কৰ্ম্মবোৰ অদ্ভূত, তোমাৰ শক্তি অনন্ত,
হে প্ৰভু ঈশ্বৰ, তোমাৰ পথ সত্য আৰু ধাৰ্মিকতাৰে
পৰিপূৰ্ণ হৈছে,
সকলো জাতিবিলাকৰ ৰজা,

৪ হে প্ৰভু, তোমাক সকলোৱে সদায়ে ভয় কৰিব।
তোমাৰ নাম লৈ সকলো লোকেই স্তুতি কৰিব,
কিয়নো তুমিয়েই মাত্ৰ পবিত্ৰ।
সকলো জাতিৰ লোকে তোমাৰ সন্মূখত
উপস্হিত হৈ তোমাক প্ৰণিপাত কৰক।
কিয়নো তোমাৰ কাৰ্য্য প্ৰকাশিত হৈছে, হে প্ৰভু তুমি
যি কৰা সেইটোৱেই ন্যায়সঙ্গত।”

৫ইয়াৰ পাছত মই দেখিলোঁ যে স্বৰ্গৰ মন্দিৰ অৰ্থাত
সাক্ষ্য-তম্বু খুলি দিয়া হল। ৬আৰু সাতোজন দূত যিবিলাকৰ
লগত অন্তিম সাতোটা বিনাশ আছিল মন্দিৰৰ পৰা বাহিৰলৈ
আহিল। তেওঁলোকে শুদ্ধ আৰু উজ্বল মনিৰে বিভুষিত বস্ত্ৰ
পিন্ধি আছিল। নিজৰ বুকুৰ্বৰি সোণৰ টঙালিৰে বন্ধা আছিল।
৭পাছে সেই চাৰি প্ৰাণীৰ ভিতৰত এটাই সেই সাতোজন

দূতক একো একোটা সোণৰ পান পাত্ৰ দিলে যিটো সদা-
সৰ্বদায়ৰ কাৰণে অমৰ ঈশ্বৰৰ ক্ৰোধেৰে পৰিপূৰ্ণ আছিল।
৮সেই মন্দিৰ ঈশ্বৰৰ মহিমা আৰু তেওঁৰ পৰাক্ৰমৰ ধোঁৱাৰে
ভৰি পৰি আছিল যাতে যেতিয়া লৈকে সেই সাতজন দূতৰ
সাতোটা বিনাশ সম্পূৰ্ণ নোহোৱালৈকে তেতিয়ালৈকে
মন্দিৰত কোনোৱেই প্ৰৱেশ কৰিব নোৱাৰে।

### ঈশ্বৰৰ কোপৰ পান পাত্ৰ

**১৬** ১পাছে মই শুনিলোঁ যে মন্দিৰৰ পৰা এজনে
উচ্চ স্বৰে সেই সাতজন দূতক কৈ আছিল,
"যোৱা আৰু ঈশ্বৰৰ কোপৰ সাতোটা পানপাত্ৰক পৃথিৱীত
বাকী দিয়া।"
২সেয়ে প্ৰথমজন দূতে গল আৰু তেওঁ পৃথিৱীত নিজৰ
পান পাত্ৰ বাকী দিলে। পৰিনাম স্বৰুপে সেই লোকবিলাকৰ
যিবিলাকত পশুৰ চিহ্ন অংকিত আছিল আৰু যিবিলাকে
তাৰ মুৰ্তিৰ পূজা কৰিছিল, ভয়ঙ্কৰ ক্লেশদায়ক বিষম ঘাঁ হল।
৩তাৰ পাছত দ্বিতীয় দূতে নিজৰ পানপাত্ৰ সমুদ্ৰত বাকী
দিলে আৰু সমুদ্ৰ মৃতবিলাকৰ তেজৰ নিচিনা হল। আৰু
সমুদ্ৰত থকা সকলো জীৱ-জন্তু মৰি গল।
৪পাছে তৃতীয়জন দূতে নদীবিলাক আৰু জলৰ
ভূমুকবোৰত নিজৰ পানপাত্ৰ বাকী দিলে। আৰু সেয়া
তেজলৈ সলনি হল ৫তেতিয়া মই জলৰ স্বামী স্বৰ্গদূতে
এইটো কোৱা শুনিলোঁ,

"সেইজন তুমিয়েই যি বিচাৰকৰ্তা, যি আছিল সদা-
কালৰ পৰা,
তুমিয়েই সেই পবিত্ৰ জন।
তুমি যি কৰিলা সেয়া ন্যায়ৱান।
৬ তেওঁলোকে পবিত্ৰজন আৰু ভাৱবাদীবিলাকৰ তেজ
বোৱালে।
তুমি ন্যায়কাৰী তুমিও তেওঁলোকক পান কৰিবলৈ
তেজই দিলা,
কিয়নো তেওঁলোক ইয়াৰেই যোগ্য।

৭পাছে মই বেদীৰ পৰা আহি থকা এটা শব্দ শুনিলো:

"হয়, হে সৰ্বশক্তিমান প্ৰভু ঈশ্বৰ!
তোমাৰ বিচাৰ সত্য আৰু ন্যায়।"

৮পাছে চতুৰ্থ দূতে নিজৰ পান পাত্ৰ সূৰ্য্যত বাকী দিলে।
সেয়ে তেওঁক লোকবিলাকক অগ্নিৰে জ্বলাই পেলাবৰ
বাবে শক্তি প্ৰদান কৰা হল। ৯আৰু লোকবিলাক তাপেৰে
তাপিত হবলৈ ধৰিলে। তেওঁলোকে ঈশ্বৰৰ নামক নিন্দা
কৰিলে কিয়নো এইবোৰ নিয়ন্ত্ৰণৰ ক্ষমতা তেওঁৰেই। কিন্তু
তেওঁলোকে কোনোৱে তেওঁৰ গৌৰৱ স্বীকাৰ নকৰিলে আৰু
মন নাপালটালে।
১০ইয়াৰ পাছত পঞ্চম দূতে নিজৰ পানপাত্ৰ সেই
পশুৰ সিংহাসনৰ ওপৰত বাকী দিলে আৰু তেওঁৰ ৰাজ্য
অন্ধকাৰত ডুব গল। লোকবিলাকে ক্লেশৰ কাৰণে নিজ
নিজ জিভা কামুৰিলে। ১১নিজৰ নিজৰ ক্লেশ আৰু ঘাবোৰৰ
কাৰণে তেওঁলোকে স্বৰ্গৰ ঈশ্বৰৰ নিন্দা কৰিলে, কিন্তু নিজৰ
কৰ্ম্মৰ কাৰণে মন পালটন নকৰিলে।
১২পাছে ষষ্ট দূতে নিজৰ পানপাত্ৰ ফৰা-নামৰ মহানদীত
বাকী দিলে আৰু তাৰ পানী শুকাই গল। ইয়াৰে পূৰ্ব দিশৰ
ৰজাবিলাকৰ কাৰণে পথ প্ৰস্তুত হৈ গল। ১৩পাছে মই
দেখিলোঁ যে সেই বিশাল অজগৰৰ মূখৰ পৰা, সেই পশুৰ
মূখৰ পৰা আৰু ভাঁৰি কোৱা ভাৱবাদীবিলাকৰ মূখৰ পৰা
তিনিটা দুষ্টত্মা ওলালে, যিবোৰ বেঙৰ সদৃশ দেখা গৈছিল।
১৪এই বোৰ চয়তানৰ দুষ্ট আত্মা আছিল আৰু সিবিলাকৰ
আচৰিত চিহ্ন দেখুওৱাৰ শক্তি আছিল। সিবিলাকে সমগ্ৰ
জগতৰ ৰজাবিলাকক পৰম শক্তিমান ঈশ্বৰৰ মহান দিনৰ
যুদ্ধলৈ, গোটাবলৈ ওলাই গল।
১৫"সাৱধান"(মই চুৰৰ নিচিনাকৈ আহিছোঁ। সেইজন ধন্য
যি সাৰ পাই থাকে, আৰু নিজৰ বস্ত্ৰক নিজৰ লগত ৰাখে
যাতে তেওঁ নগ্নতা হৈ নুফুৰে আৰু লোকবিলাকে তেওঁৰ
নগ্নতা দেখা নাপায়।"
১৬এই ধৰণে সেই দুষ্টত্মাবোৰে সেই ৰজাবিলাকক
একত্ৰিত কৰি সেই ঠাইলৈ লৈ আহিলে। যিটো ইব্ৰী ভাষাত
মাগিদোন কোৱা হয়।
১৭ইয়াৰ পাছত সপ্তম দূতে নিজৰ পানপাত্ৰ আকাশত
বাকী দিলে আৰু সিংহাসনৰ পৰা উ-পন্ন হোৱা এটা মহাবাণী
মন্দিৰৰ পৰা এইদৰে কৈ ওলাল, "এই সকলো সমাপ্ত হল।"
১৮তেতিয়া বিজুলীৰ মাত, আৰু মেঘ-গৰ্জন হবলৈ ধৰিলে
আৰু মহা ভূমিকম্প হল। মানুহ এই পৃথিৱীত হোৱাৰ
পাছত এইটোৱেই সকলোতকৈ ভয়ঙ্কৰ ভূমিকম্প আছিল।
১৯সেই মহানগৰৰ তিনি টুকুৰা হৈ সিচৰিত হৈ গৈছিল
আৰু পৰজাতিবিলাকৰ নগৰ ধংস হৈ গল। ঈশ্বৰে বাবিলৰ
মহানগৰক দণ্ড দিবলৈ সোঁৱৰণ কৰিলে। যাতে তেওঁ
তেওঁক নিজৰ মহা ক্ৰোধ দ্ৰাক্ষাৰসৰে পৰিপূৰ্ণ পানপাত্ৰ
তাক দি দিয়ে। ২০সকলো দ্বীপ লুপ্ত হৈ গল। আৰু কোনো
পৰ্বতবোৰো পোৱা নগল। ২১চল্লিশ চল্লিশ কেজি ওজনৰ
শিলাবৃষ্টি আকাশৰ পৰা মানুহৰ ওপৰত পৰি আছিল। এই
শিলাবৃষ্টিৰ মহাবিনাশৰ কাৰণে মানুহ বিলাকে ঈশ্বৰৰ নিন্দা
কৰিছিল কিয়নো ই এক মহা উ-পাত আছিল।

### পশুৰ ওপৰত বহা স্ত্ৰী

**১৭** ১ইয়াৰ পাছত সেই সাতজন দূতৰ যিবিলাকৰ
লগত সাতোটা পানপাত্ৰ আছিল, এজনে মোৰ
ওচৰলৈ আহিল আৰু কলে, "আহাঁ, মই তোমাক অনেক
নদীৰ পাৰত বহি থকা সেই মহান বেশ্যাৰ দণ্ড দেখুৱাম।"
২পৃথিৱীৰ ৰজা-সকলে তেওঁৰে সৈতে ব্যাবিচাৰ কৰিলে
আৰু যি তেওঁলোক পৃথিৱীত আছে তেওঁলোকে তাইৰ
ব্যাভিচাৰৰ দ্ৰাক্ষাৰসৰে মতলীয়া হৈ গৈছে।"
৩তেতিয়া মই আত্মাৰে পৰিপূৰ্ণ হৈ উঠিলো আৰু

সেই দূতে মোক অৰণ্যলৈ লৈ গল যত মই এজনী স্ত্ৰীক
সেন্দুৰ বৰণীয়া এনে এটা পশুৰ ওপৰত বহি আছিল যিটো
ঈশ্বৰৰ নিন্দাসূচক অপশব্দবোৰেৰে পৰিপূৰ্ণ আছিল, তাৰ
সাতোটা মূৰ আৰু দহটা শিং আছিল। ৪সেই স্ত্ৰী জনীয়ে
বেঙেনা আৰু সেন্দুৰ বৰণীয়া কাপোৰ পিন্ধি আছিল।
তাই সোণ, আৰু বহুমূল্য ৰত্নৰে আৰু মুকুতাৰে অলঙ্কৃত
আছিল।। তাই নিজৰ হাতত সোণৰ এটা পানপাত্ৰ লৈ
আছিল যিটো বেয়া কথাবোৰ আৰু তাইৰ ব্যাভিচাৰৰ
ঘিণলগীয়া বস্তুবোৰেৰে ভৰি আছিল। ৫তাইৰ কপালত
এটা প্ৰতীক চিহ্ন আছিল:

মহান বাবিল<br>
বেশ্যাবিলাকৰ আৰু পৃথিৱীৰ<br>
সকলো অশ্লীলতাৰ মাতৃ।

৬মই দেখিলোঁ যে সেই স্ত্ৰী পৱিত্ৰলোকৰ আৰু সেই
ব্যক্তিবিলাকৰ তেজ পান কৰি মতলীয়া হৈ আছে।
যিবিলাকে যীচুৰ প্ৰতি নিজৰ বিশ্বাসৰ সাক্ষ্যৰ কাৰণে নিজৰ
প্ৰাণ ত্যাগ দিছিল।

তাইক দেখি মই বহুত বিস্ময়ত পৰিলো। ৭তেতিয়া
সেই দূতে মোক সুধিলে, "তুমি কিয় বিস্ময় মানিলা? মই
তোমাক এই স্ত্ৰীৰ আৰু যি পশুত তাই বহিছে তাৰ প্ৰতীকৰ
বিষয়ে কওঁ। সাতোটা মূৰ আৰু দহোটা শিং থকা এই পশু
৮যিটো তুমি দেখিলা, প্ৰথমে জীৱিত আছিল, কিন্তু এতিয়া
জীৱিত নাই। তথাপিও অগাধ ঠাইৰ পৰা ওলাবলৈ উদ্যত।
আৰু তেতিয়া তাৰ বিনাশ হৈ যাব। পাছে পৃথিৱীত সেই
লোক বিলাক যিবিলাকৰ নাম সৃষ্টিৰ আৰম্ভণিৰে পৰা জীৱন
পুস্তকত লিখা হোৱা নাই, সেই পশুক চাই আচৰিত হব
কিয়নো আগতে সি জীৱিত আছিল, কিন্তু এতিয়া জীৱিত
নাই, তথাপিও সি উপস্হিত হব।"

৯"এইটোৱেই সেই বিন্দু ইয়াত জ্ঞান থকা মনৰ
আৱশ্যকতা আছে। এই সাতোটা মূৰেই, সেই সাতোটা
পৰ্বত, যিহৰ ওপৰত তাই বহি আছে। সেই সাতোটা মূৰ,
সেই ৰজাবিলাকৰো প্ৰতীক, ১০যিবিলাকৰ ভিতৰত প্ৰথম
পাঁচজনৰ পতন হৈ গল, এজনে এতিয়া ৰাজত্ব কৰি আছে,
আৰু আন জনে এতিয়ালৈকে আহা নাই। কিন্তু যেতিয়া
সি আহিব তাৰ নিয়তি এয়ে যে সি বেছি সময় তিষ্টি থাকিব
নোৱাৰিব। ১১সেই পশু যি প্ৰথমে জীৱিত আছিল, কিন্তু
এতিয়া জীৱিত নাই, নিজেই অষ্টম ৰজা যি সেই সাতোজনৰ
ভিতৰত এজন, তাৰো বিনাস হবলৈ আছে।

১২"যি দহোটা শিং তুমি দেখিছিলা, সেইয়েই দহজন
ৰজা, তেওঁলোকে এতিয়া নিজৰ শাসন কাল আৰম্ভ কৰা
নাই, কিন্তু পশুৰ সৈতে এঘন্টাৰ ক্ষমতা দিয়া হব। ১৩এই
দহোজন ৰজাবিলাকৰ এটাই প্ৰয়োজনীয়তা আছে যে
তেওঁলোকে নিজৰ শক্তি আৰু অধিকাৰ সেই পশুক গতাই
দিয়া। ১৪তেওঁলোকে মেৰ পোৱালিৰ সৈতে যুদ্ধ কৰিব কিন্তু
মেৰ পোৱালিয়ে নিজৰ মনোনীত, আৰু আমন্ত্ৰিত আৰু
বিশ্বাসী বিলাকৰে সৈতে সিহঁতক জয় কৰিব। কিয়নো তেওঁ
ৰজাৰো ৰজা, আৰু প্ৰভুৰো প্ৰভু।"

১৫সেই দূতে মোক আকৌ কলে, "এই নদীবোৰ যিবোৰ
তুমি দেখিলা, যত বেশ্যাই বহি আছিল, এইবোৰ বিভিন্ন
প্ৰজা, লোকসমূহ, জাতিবিলাক, আৰু ভাষাৰ লোকবিলাকৰ
প্ৰতীক। ১৬সেই দহোটা শিং যিবিলাক তুমি দেখিলা, আৰু
সেই পশুৱে সেই বেশ্যাক ঘিণ কৰিব আৰু তাইৰ সকলো
কাঢ়ি লৈ তাই উলঙ্গ কৰিব। সিবোৰে তাইৰ শৰীৰক খাব
আৰু তাইক জুইত জ্বলাই দিব। ১৭নিজৰ প্ৰয়োজনীয়তা পূৰ্ণ
কৰিব অৰ্থে ঈশ্বৰে সেই সকলোকে একমত কৰি, সিবিলাকৰ
মনত বহুৱাই দিছে যে সিবিলাকে, যেতিয়ালৈকে ঈশ্বৰৰ
বাক্য সিদ্ধ নহয় মানে শাসন কৰিবলৈ নিজ নিজ অধিকাৰ
সেই পশুক দিব। ১৮সেই স্ত্ৰীক যাক তুমি দেখিছিলা, তাই
মহানগৰ আছিল, যি পৃথিৱীৰ ৰজাবিলাকৰ ওপৰত শাসন
কৰে।"

## বাবিলৰ বিনাশ

**১৮** ১ইয়াৰ পাছত মই এজন আৰু স্বৰ্গদূতক
আকাশৰ পৰা মহা প্ৰতাপেৰে নামি অহা
দেখিলোঁ। তেওঁৰ প্ৰতাপেৰে সকলো পৃথিৱী দ্বীপ্তিময় হৈ
উঠিল। ২শক্তিশালী স্বৰে ৰিঙিয়াই তেওঁ কলে:

"সেইয়ে পতন হল,<br>
বাবিলৰ নগৰ পতন হল।<br>
সেইটো ভূত বিলাকৰ আবাস হৈ গৈছিল।<br>
সকলো দুষ্টাত্মাৰ বাসস্হান হৈ গৈছিল।<br>
সকলো ঘিনলগীয়া পক্ষীৰ বাঁহ হৈ গৈছিল।<br>
সকলো অপবিত্ৰ, নিন্দাৰ যোগ্য পশুৰ।<br>
৩ কিয়নো তাই সকলো লোকক ব্যাভিচাৰৰ ক্ৰোধ ৰূপ<br>
দ্ৰাক্ষাৰস পান কৰাইছিল।<br>
এই জগতৰ ৰজাসকলে যিবোৰক নিজেই উঠাইছিল<br>
তাইৰে সৈতে ব্যাভিচাৰ কৰিলে।<br>
আৰু তাইৰ ভোগ ব্যয়ত জগতৰ বেপাৰী বিলাক<br>
ধনৱন্ত হৈছিল।

৪আকাশৰ পৰা মই আৰু এটা শব্দ শুনিলোঁ যি এইটো
কৈ আছিল:

"হে মোৰ লোকসকল, তোমালোক তাৰ পৰা বাহিৰলৈ<br>
ওলাই আহাঁ<br>
তোমালোকে যেন তাইৰ পাপৰ ভাগী নোহোৱা,<br>
এনেকৈ নহওক যে, তোমালোকেও যেন তাইৰ<br>
উ-পাতৰ ভাগ পোৱা,<br>
৫ কিয়নো তাইৰ পাপ আকাশত লাগিলগৈ।<br>
ঈশ্বৰে তাইৰ অপকৰ্ম্মবোৰ সোঁৱৰণ কৰিলে।<br>
৬ হেৰা! তোমালোকেও তাইক তেনেদৰেই ব্যৱহাৰ<br>
কৰা

যেনেকৈ তোমালোকৰ লগত তাই কৰিছিল।
তোমালোকৰ লগত তাই যি কৰিছিল তাৰ দুগুনে
তাইৰ লগত কৰা।
আন বিলাকৰ হেতু যি পানপাত্ৰত দ্ৰাক্ষাৰস
পেয় কৰাইছিল সেই দ্ৰাক্ষাৰস তোমালোক
তাইক দুগুনেই পেয় যুগুত কৰা।
7 কিয়নো যি গৰ্ব্ব আৰু বিভূষিত কৰিছিল তেনেদৰেই
তাইক যাতনা
আৰু শোক দিয়া কিয়নো
তাই নিজে মনতে কৈ আছিল, মই মহাৰাণী হওঁ,
মই বিধৱা নহওঁ,
মই কিয় শোক কৰিম?
8 এইকাৰণে সেই বিনাশ যি মহামৃত্যু,
মগদোন আৰু সেইটো দুৰ্ভিক্ষ ভীক্ষন।
সেইবোৰ একেদিনাই উপস্হিত হব, আৰু তাইক
জ্বলাই ভষ্ম কৰি দিব কিয়নো প্ৰভু ঈশ্বৰ যি
বলৱান
তেৱেঁই তাইৰ বিচাৰৰ ন্যায় কৰিলে।

৯“যেতিয়া পৃথিৱীৰ ৰজাবিলাক, যিবিলাকে তাইৰ সৈতে ব্যাভিচাৰ কৰিলে আৰু তাইৰ ভোগ-বিলাসত ধনাৰম্বৰ কৰিছিল, তাইক পোৰা ধুৱাঁ দেখি ক্ৰন্দন কৰিব আৰু শোক কৰিব। ১০তেওঁলোক তাইৰ কষ্ট যাতনাৰ ভয়ত দূৰৈত থিয় হৈ এই কথা কব:

‘হায়! পৰাক্ৰমী নগৰ বাবিল!
তুমি সন্তাপৰ পাত্ৰ!
তোমাৰ দণ্ড তোমাক মাত্ৰ এঘন্টাৰ ভিতৰতেই দিয়া
হল।’

১১“এই পৃথিৱীৰ সদাগৰবিলাকে তাইৰ নিনিত্তে ক্ৰন্দন কৰিব আৰু শোক কৰিব কিয়নো তেওঁলোকৰ বাণিজ্য-দ্ৰব্য এতিয়া কোনোও নিকিনিব, ১২সোণৰ বস্তুবোৰ, ৰুপ, আৰু বহুমূলীয়া মণি, মুকুতা, শণ সূতাৰ মিহি কাপোৰ, বেঙেনা বৰণীয়া কাপোৰ, পাটৰ কাপোৰ, আৰু সকলো প্ৰকাৰৰ সুগন্ধিত কাঠ, হাতীৰ দাঁতেৰে বনোৱা বিভিন্ন প্ৰকাৰৰ বস্তুবিলাক, চন্দন কাঠ, পিতল, লোহাৰে আৰু মৰ্ম্মৰ শিলেৰে তৈয়াৰী বহুত প্ৰকাৰৰ বস্তুবোৰ ১৩দালচেনী, এলাচি, সুগন্ধিত ধূপ, তেল, ধূনা-এঠা, দ্ৰাক্ষৰস, জৈতুনৰ তেল, ময়দা, ঘেহুঁ, মেৰ, ঘোঁৰা, আদি পশু, ৰথ বন্দী, আৰু হয়, মানুহৰ দেহ আৰু তেওঁলোকৰ আত্মালৈকে।

14 ‘হে বাবিল! সেই সকলোবোৰ উত্তম বস্তুবোৰ,
যিবোৰত তোমাৰ হৃদয় অভিলাষিত আছিল,
তোমাক সকলোৱে এৰি গুচি গল।
তোমাৰ সকলো বিলাস বিভূশণ আজি নাইকিয়া হল।
এতিয়া আৰু সেইবোৰ কেতিয়াও নোপোৰা।

১৫“সেই সদাগৰবিলাকে যিবিলাকে এই বস্তুবোৰৰ বেপাৰ কৰিছিল আৰু ধনৱন্ত হৈ গৈছিল, তেওঁবিলাকে দূৰৈত থিয় হৈ থাকিব, কিয়নো তেওঁলোকে তাইৰ যাতনাত ভয় খালে। তেওঁবিলাকে ক্ৰন্দন আৰু শোক কৰিব আৰু ১৬কব:

“কিমান ভয়াবহ আৰু কিমান ভয়ঙ্কৰ, মহানগৰ!
এইয়া তাইৰ কাৰণে হল।
উত্তম শণ সূতাৰ মিহি কাপোৰ পিন্ধিছিল
আৰু বেঙেনা বৰণীয়া আৰু সেন্দুৰ বৰণীয়া,
আৰু সোণৰ বহুমূলীয়া মণি মুকুতাৰে অলংকৃত
হৈ আছিল।
17 আৰু মাত্ৰ এঘন্টাৰ ভিতৰতে এই সকলো সম্পত্তি ধংস
হৈ গল।’

“পাছে জাহাজৰ সকলো চাৰেংবিলাক, আৰু জাহাজেৰে ঠায়ে ঠায়ে যোৱাবিলাক আৰু যিবিলাক সকলোৱে সাগৰত নিজৰ নিজৰ জীৱিকা অৰ্জন কৰিছিল, সেই নগৰৰ পৰা দূৰৈত থিয় হৈ ১৮আৰু তেওঁলোকে যেতিয়া তাইৰ পোৰা ধুঁৱা দেখি ৰিঙিয়াই কলে “এই বিশাল নগৰৰ সমান আৰু কোন নগৰ আছে?” ১৯আৰু তেওঁবিলাকে নিজৰ নিজৰ মূৰত ধুলি পেলাই, ক্ৰন্দন আৰু শোক কৰি ৰিঙিয়াই কলে,

‘মহানগৰ! হায় হায় কিমান ভয়াবহ, হায় হায় কিমান
ভয়ঙ্কৰ।
যিবিলাকৰ জাহাজ আছিল, তেওঁলোক জল
সম্পদৰ পৰা ধনৱন্ত হৈ গল, কিয়নো তাইৰ
লগত সম্পতি আছিল
কিন্তু এতিয়া মাত্ৰ এঘন্টাৰ ভিতৰতে ধংস হৈ গল।
20 তাইৰ বিষয়ে আনন্দ কৰা হে স্বৰ্গ!
পাঁচনি, আৰু ভাববাদীবিলাক! তোমালোক ঈশ্বৰৰ
পবিত্ৰ লোক সকল আনন্দ কৰা!
কিয়নো প্ৰভুৱে তাইক ঠিক তেনেদৰেই দণ্ড দিলে
যেনে দণ্ড তাই তোমালোকক দিছিল।’”

২১পাছে এজন শক্তিশালী স্বৰ্গদূতে এখন বৰ জাঁতৰ নিচিনা শিল এচটা তুলিলে আৰু সাগৰত পেলাই কলে,

“মহানগৰ! হে বাবিল মহানগৰ!
ঠিক এনেদৰেই তোমাক পেলোৱা হব আৰু তুমি
লুপ্ত হৈ যাবা, আৰু তোমাক কেতিয়াও পোৱা
নাযাব।
22 তোমাত আৰু কেতিয়াও বীণা বজোৱা নহব, আৰু
গায়ন-বায়নেৰে কেতিয়াও মহিমাৰ পাঠ কৰা
নাযাব।
বাঁহী আৰু কালি বজোৱাবিলাকৰ মাত তোমাৰ
মাজত কেতিয়াও শুনা নাযাব।

তোমাত এতিয়া কোনো শিল্পকাৰী কেতিয়াও পোৱা
নাযাব
আৰু তোমাত কোনো কলা নাথাকিব!
এতিয়া জাঁতৰ মাত তোমাৰ মাজত কেতিয়াও
শুনা নাযাব।
২৩ চাকিৰ পোহৰ তোমাৰ মাজত কেতিয়াও দেখা নাযাব,
এতিয়া তোমাৰ মাজত কোনো দৰা-কইনাৰ মাত
শুনা নাযাব।
তোমাৰ সদাগৰবিলাক পৃথিৱীৰ প্ৰধান লোক আছিল
তোমাৰ
মায়াকৰ্ম্মৰ দ্বাৰাই সকলো জাতিবিলাক ভ্ৰান্ত হল।
২৪ নগৰৰ ভাৱবাদীসকল আৰু পবিত্ৰবিলাকৰ সেই
সকলোৰে তেজ বোৱালে।
এই পৃথিৱীত যিবিলাকক বলি দিয়া হৈছিল।”

## স্বৰ্গত ঈশ্বৰৰ স্তুতি

১৯ ১ইয়াৰ পাছত মই এদল মানুহৰ উচ্চ ধ্বনি
শুনিলোঁ। লোকবিলাকে কৈ আছিল:

“হাল্লিলুয়া!
ঈশ্বৰৰ জয় হওক, জয় হওক! প্ৰতাপ আৰু পৰাক্ৰম
সদায়ে হওক!
২ তেওঁৰ সোধ-বিচাৰ সদায় সত্য, আৰু ন্যায়যুক্ত,
সেই মহা-বেশ্যাৰ তেওঁ বিচাৰ কৰিলে,
যি নিজৰ বেশ্যাবৃত্তিৰে এই পৃথিৱীক
ভ্ৰষ্ট কৰিছিল যিবিলাকক তাই বধ কৰিছিল
সেই দাস বিলাকৰ হত্যাৰ প্ৰতিশোধ হৈ গল।”

৩তেওঁলোকে আকৌ গালে:

“হল্লিলুয়া!
জয় হওক তাইৰ ধুঁৱা যুগে যুগে উঠিব।”

৪পাছে চৌবিশজন বৃদ্ধলোক আৰু চাৰি প্ৰাণীয়ে
সিংহাসনত বিৰাজমান ঈশ্বৰক উবুৰি হৈ প্ৰণিপাত কৰিলে
আৰু উপাসনা কৰি গাবলৈ ধৰিলে:

আমেন! হাল্লিলুয়া! জয় হওক তেওঁৰ।

৫স্বৰ্গৰ পৰা আকৌ এটা শব্দ আহিল যি কৈ আছিল:

“হে তেওঁৰ দাস বিলাক, তোমালোক সকলোৱে
আমাৰ ঈশ্বৰৰ স্তুতি গান কৰা তোমালোক
সৰুৱেই হোৱা বা ডাঙৰেই হোৱা,
তোমালোকে তেওঁক ভয় কৰা।

৬পাছে মই এটা ডাঙৰ জনসমুদ্ৰৰ দৰে শব্দ শুনিলোঁ
এক বিশাল জলপ্ৰৱাহ আৰু মেঘৰ শক্তিশালী গৰ্জনৰ নিচিনা
লাগিছিল। লোক বিলাকে গাই আছিল:

“হাল্লিলুয়া!
তেওঁৰ জয় হওক, কিয়নো আমাৰ প্ৰভু ঈশ্বৰৰে!
সৰ্বশক্তিমান ভাৱে ৰাজত্ব কৰিলে।
৭ সেয়ে আহাঁ, আনন্দিত হৈ উল্লাস কৰোঁহক আহাঁ,
তেওঁৰ গৌৰৱ স্বীকাৰ কৰোঁ
কিয়নো এতিয়া মেৰ পোৱালিৰ বিবাহৰ সময়
আহিল তেওঁৰ ভাৰ্য্যাই নিজকে যুগুত
কৰিলে।
৮ তেওঁক অনুমতি দিয়া হল শণ সূতাৰ মিহি উজ্বল
আৰু শুদ্ধ বস্ত্ৰ পিন্ধিবলৈ।

(এই শুদ্ধ মিহি বস্ত্ৰ পবিত্ৰ বিলাকৰ ধৰ্মময় কাৰ্য্যৰ প্ৰতীক)
৯পাছে তেওঁ মোক কলে, “লিখা তেওঁলোক ধন্য
যিবিলাকক বিবাহৰ ভোজলৈ নিমন্ত্ৰিত কৰা হৈছে।” তেওঁ
আকৌ কলে, “এইটো ঈশ্বৰৰ সত্য বাক্য।”
১০আৰু মই তেওঁৰ প্ৰণিপাত কৰিবলৈ তেওঁৰ চৰণত
পৰিলোঁ। কিন্তু তেওঁ মোক কলে, সাৱধান, এনে নকৰিবা।
মই তোমাৰ আৰু তোমাৰ বন্ধুবিলাকৰ সৈতে ঈশ্বৰৰ
সহদাস হওঁ যাৰ যীচুৰ দ্বাৰা সাক্ষ্য দিয়া শুভবাৰ্তাক প্ৰচাৰ
কৰিবৰ দায়িত্ব আছে। ঈশ্বৰকেই প্ৰণিপাত কৰা কিয়নো
যীচু দ্বাৰা প্ৰমাণিত শুভবাৰ্তাই এই কথাৰ প্ৰমাণ যে তেওঁত
ভাৱবাণীৰ আত্মা আছে।

## বগা ঘোঁৰাত উঠা

১১পাছে মই স্বৰ্গৰ দুৱাৰ মেলা দেখিলোঁ আৰু তাত মোৰ
ওচৰত এটা বগা ঘোঁৰা আছিল। ঘোঁৰাত উঠাজনক বিশ্বাসী
আৰু সত্য বুলি কোৱা হৈছিল। কিয়নো ন্যায়েৰে নিৰ্ণয় কৰে
আৰু যুদ্ধ কৰে। ১২তেওঁৰ চকুযোৰি অগ্নিৰ শিখাৰ দৰে।
তেওঁৰ মূৰত অনেক কিৰীটি আছিল। তেওঁ ওপৰত নাম লিখা
আছিল, যিটো তেওঁৰ বাহিৰে আন কোনোৱে নাজানিছিল।
১৩তেওঁ এনে বস্ত্ৰ পিন্ধিছিল যেনিবা বস্ত্ৰখনি তেজত
জুবুওৰিয়া হৈছে। তেওঁক নাম দিয়া হৈছিল, “ঈশ্বৰৰ বাক্য।”
১৪বগা ঘোঁৰাত উঠি স্বৰ্গৰ সৈন্যবিলাক তেওঁৰ পিছে পিছে
গৈ আছিল। তেওঁলোকেও শুদ্ধ বগা মিহি সূতাৰ বস্ত্ৰ পিন্ধি
আছিল। ১৫অধৰ্মীবোৰক আঘাত কৰিবলৈ তেওঁৰ মুখৰ পৰা
এখন চোকা তৰোৱাল ওলাই আছিল। তেওঁ লোহাৰ দণ্ডৰে
তেওঁলোকক শাসন কৰিব আৰু সৰ্বশক্তিমান ঈশ্বৰৰ প্ৰচণ্ড
ক্ৰোধৰূপ পেৰাশালত আঙুৰৰ ৰস উলিয়াই। ১৬তেওঁৰ বস্ত্ৰ
আৰু তেওঁৰ কৰঙনত লিখা আছিল:

ৰজাৰো ৰজা আৰু প্ৰভুৰো প্ৰভু

১৭ইয়াৰ পাছত মই দেখিলোঁ যে সূৰ্য্যৰ ওপৰত এজন
স্বৰ্গদূত থিয় হৈ আছে। তেওঁ আকাশৰ ওপৰত উৰি থকা
সকলো চৰাই-চিৰিকতি বিলাকক উচ্চ স্বৰে কলে, “আহাঁ

ঈশ্বৰৰ মহাভোজৰ কাৰণে একত্ৰিত হৈ যোৱা, ১৮যাতে তুমি
শাসক সকলৰ, সেনাপতিবিলাকৰ, প্ৰসিদ্ধ পুৰুষ বিলাকৰ,
ঘোঁৰা বিলাকৰ আৰু তেওঁবিলাকৰ পিঠিত উঠাবিলাকৰ
মাঙহ খাবলৈ পাবা।স্বাধীন আৰু দাস, সৰু আৰু বৰ সকলো
লোকৰ মঙহ খাবলৈ পাবা।”
১৯পাছে মই সেই পশুক আৰু পৃথিৱীৰ ৰজাবিলাকক
দেখিলোঁ। তেওঁলোকৰ লগত তেওঁলোকৰ সৈন্য আছিল।
তেওঁলোকে ঘোঁৰাত উঠা জনা আৰু তেওঁৰ সৈন্য সৈতে
যুদ্ধ কৰিবলৈ একেলগে গোট খোৱা দেখিলোঁ। ২০পশুক
ঘেৰি লোৱা হল। তেওঁৰ সৈতে সেই ভাঁৰিকোৱা ভাৱবাদী
আছিল যিবিলাকে তেওঁৰ আগত আচৰিত কৰ্ম্ম দেখুৱাইছিল
আৰু তেওঁবিলাকক ভূলাইছিল যিবিলাকৰ কপালত সেই
পশুৰ ছাৱ লাগিছিল আৰু যিবিলাকে তেওঁৰ মুৰ্তিক প্ৰণিপাত
কৰিছিল। সেই পশু আৰু ভাঁৰিকোৱা দুয়োজন ভাৱবাদীক
জীয়াই জীয়াই গন্ধকেৰে জ্বলি থকা সৰোবৰত পেলাই দিয়া
হল। ২১ঘোঁৰাত উঠাজনাৰ মূখৰ পৰা যি তৰোৱাল ওলাই
আহিছিল, তাৰে দ্বাৰাই বাকী সৈনিক বিলাকক বধ কৰা
হল আৰু পাছে চৰাই-চিৰিকতি বিলাকে তেওঁলোকৰ শৰৰ
মঙহেৰে পেট ভৰাই খালে।

## হাজাৰ বছৰ

২০ ১পাছে আকাশৰ পৰা মই এজন স্বৰ্গদূতক তললৈ
নামি অহা দেখিলোঁ। তেওঁৰ হাতত অগাধ ঠাইৰ
চাবি আৰু বৰ শিকলি আছিল। ২তেওঁ সেই পুৰাতন সৰ্পক
ধৰি ললে, যি দিয়াবল চয়তান আৰু এহেজাৰ বছৰৰ বাবে
তাক শিকলিৰে বান্ধিলে। ৩তেতিয়া সেই স্বৰ্গদূতে তাক
অগাধ ঠাইলৈ ঠেলি পেলাই দি তলা লগালে আৰু মূখ বন্ধ
কৰি ছাৱ লগাই দিলে যাতে যেতিয়ালৈকে এহেজাৰ বছৰ
পূৰ নহয়মানে তেতিয়ালৈকে সি লোকবিলাকক ভূলাব
নোৱাৰে। হাজাৰ বছৰ পাৰ হোৱাৰ পাছত অলপ কাললৈ
সি মুক্ত হব লাগিব।
৪পাছে মই কিছুমান সিংহাসন দেখিলোঁ যত কিছুমান
লোক বহি আছিল। তেওঁলোকক বিচাৰ কৰিবলা অধিকাৰ
দিয়া হৈছিল। আৰু মই সেই আত্মাবোৰো দেখিলোঁ
যিবিলাকৰ মূৰ, সেই সত্যৰ কাৰণে, যি যীচুৰ দ্বাৰা প্ৰমাণিত,
আৰু ঈশ্বৰৰ শুভবাৰ্তাৰ কাৰণে ছেদন কৰা হৈছিল,
যিবিলাকে সেই পশুৰ সেই প্ৰতিমাক কেতিয়াও উপাসনা
কৰা নাছিল। আৰু যিবিলাকে নিজৰ কপালত বা নিজৰ
হাতত তাৰ অংকিত চিহ্ন ধাৰণ কৰা নাছিল। তেওঁবিলাকে
পুনৰ জীৱিত হৈ উঠিল আৰু খ্ৰীষ্টৰ লগত এহেজাৰ
বছৰলৈকে ৰাজত্ব কৰিলে। ৫(অৱশিষ্ট লোক হাজাৰ বছৰ
পূৰ নোহোৱালৈকে পুনৰ জীৱিত নহল।)
এইটো প্ৰথম পুনৰুত্থান। ৬তেওঁ ধন্য আৰু পবিত্ৰ যি এই
প্ৰথম পুনৰুত্থানৰ ভাগী হয়। এই ব্যক্তিবিলাকত দ্বিতীয়
মৃত্যুৰ কোনো ক্ষমতা নাই। কিন্তু তেওঁলোক ঈশ্বৰৰ
আৰু খ্ৰীষ্টৰ পুৰোহিত হৈ আৰু তেওঁৰে সৈতে এহেজাৰ
বছৰলৈকে ৰাজত্ব কৰিব।

## চয়তানৰ পৰাজয়

৭পাছে এহেজাৰ পুৰ হলে চয়তানক তাৰ বন্দীগৃহৰ পৰা মুক্ত
কৰি দিয়া হব। ৮আৰু সি সমগ্ৰ পৃথিৱীত থকা জাতিবিলাকক
ভূলাবলৈ ওলাই যাব। তেওঁ গোগ আৰু মগোক ভূলাব।
সি তেওঁলোকক যুদ্ধৰ বাবে একত্ৰিত কৰিব। তেওঁলোক
ইমানেই অসংখ্য হব যিমান সাগৰৰ পাৰৰ বালিৰ দৰে।
৯চয়তানৰ সৈন্য সমগ্ৰ পৃথিৱীত বিয়পি যাব আৰু
সিবিলাকে পবিত্ৰ লোকবিলাকৰ ছাউনি আৰু প্ৰিয় নগৰক
বেৰি ধৰিব। কিন্তু জুই নামিব আৰু সিহঁতক গ্ৰাস কৰি
পেলাব। ১০ইয়াৰ পাছত সেই চয়তানক যি তেওঁবিলাকক
ভূলাইছিল তাক গন্ধকেৰে ভৰি জ্বলি থকা সৰোবৰত
পেলাই দিয়া হব। যত সেই পশু আৰু দুজন ভাঁৰি কোৱা
ভাৱবাদীক পেলোৱা হৈছিল। সদা-কালৰ বাবে সিহঁতে
দিনে ৰাতিয়ে যাতনা ভোগ কৰিব।

## জগতৰ লোকবিলাকৰ বিচাৰ

১১পাছে মই এখন বিশাল বগা সিংহাসন আৰু তাৰ ওপৰত
বহি থকাজনক দেখিলোঁ। তেওঁ সন্মূখৰ পৰা আকাশ আৰু
পৃথিৱী পলাই গল। সিহঁতৰ খবৰো পোৱা নগল। ১২পাছে
মই সৰু আৰু বৰ মৃতবিলাকক দেখিলোঁ। তেওঁলোকে
সিংহাসনৰ সন্মূখত থিয় হৈ আছিল। কিছুমান পুস্তক খোলা
হল। পাছে এখন আৰু পুস্তক খোলা হল—এইখনেই,
“জীৱন পুস্তক”। সেই কৰ্ম্মৰ অনুসাৰে যি পুস্তকত লিখা
হৈছিল, মৃতবিলাকৰ সোধ-বিচাৰ কৰা হল।
১৩যি মৃতবিলাক সাগৰত আছিলে, সিবিলাকক সাগৰে
দি দিলে। আৰু মৃত্যু আৰু পৰলোকেও নিজত থকা
মৃত বিলাকক শোধাই দিলে। প্ৰত্যেকৰে সোধ-বিচাৰ
তেওঁলোকৰ কৰ্ম্ম অনুসাৰে কৰা হল। ১৪ইয়াৰ পাছত মৃত্যুক
আৰু পৰলোকক সেই অগ্নিৰ সৰোবৰত পেলোৱা হল। আৰু
এই অগ্নিৰ সৰোবৰেই দ্বিতীয় মৃত্যু। ১৫যদি কাৰোবাৰ নাম,
জীৱন পুস্তকত, লিখা পোৱা নগল তেনেহলে তেওঁকো
অগ্নিৰ সৰোবৰত পেলোৱা হল।

## নতুন যিৰুচালেম

২১ ১পাছে মই এখন নতুন স্বৰ্গ আৰু নতুন পৃথিৱী
দেখিলোঁ। কিয়নো প্ৰথম স্বৰ্গ আৰু প্ৰথম
পৃথিৱী লুপ্ত হৈ গৈছিল। আৰু সমুদ্ৰও এতিয়া নাই। ২মই
যিৰুচালেমৰ সেই পবিত্ৰ নগৰকো আকাশৰ বাহিৰৰ পৰা
ওলাই ঈশ্বৰৰ ওচৰৰ পৰা তললৈ নামি থকা দেখিলোঁ। সেই
নগৰ খনক এনেকুৱা বিভূষিতা কৰা হৈছিল যেনে কোনো
কন্যাক তেওঁৰ দৰাৰ কাৰণে যুগুত কৰা হৈছে।
৩তেতিয়া মই আকাশৰ পৰা এটা উচ্চ বাণী শুনিলোঁ।
সেইটোৱে কৈ আছিল, “চোৱা এতিয়া ঈশ্বৰৰ মন্দিৰ
যি মানুহবিলাকৰ মাজত আছে আৰু তেওঁ তেওঁলোকৰ
মাজতেই ঘৰ সাজি নিবাস কৰিব। তেওঁলোক তেওঁৰ প্ৰজা
হব আৰু নিজে ঈশ্বৰ তেওঁলোকৰ ঈশ্বৰ হব। ৪তেওঁলোকৰ
চকু পৰা সকলো চকুলো মচি দিয়া হব। আৰু তাত এতিয়া

কোনো মৃত্যু নহব, শোক নহব কাৰণ তাত এতিয়া কোনো
ক্ৰন্দন, আৰু কোনো যাতনা নহব। কিয়নো এই সকলো
পুৰনি কথাবোৰৰ এতিয়া সমাপ্ত হৈ গল।”
৫পাছে যি জনা সিংহাসনত বহি আছিল, তেওঁ কলে,
“চোৱা মই সকলো খিনি নতুন কৰি দি আছোঁ।” তেওঁ আকৌ
কলে, “ইয়াক লিখি লোৱা কিয়নো এই বাক্য বিশ্বাস যোগ্য
আৰু সত্য।”
৬তেওঁ মোক আকৌ কলে, “সকলোখিনি সম্পূৰ্ণ হৈ
গৈছে। মই আল্ফা আৰু ওমিগা। মইয়েই আদি আৰু
অন্ত।” যি জনক পিয়াহ লাগে মই তেওঁক জীৱন জলেৰে
ভৰা ভূমুকৰ পানী বিনামুল্যে দিম। ৭যি বিজয়ী হব, তেওঁৰ
এইবিলাকৰ অধিকাৰী হব। মই তেওঁৰ ঈশ্বৰ হম আৰু তেওঁ
মোৰ পুত্ৰ হব। ৮কিন্তু ভয়াতুৰ, অবিশ্বাসীবিলাক, ঘিণলগীয়া,
নৰবধী, ব্যাভিচাৰি, মায়াৱী আৰু দেৱ পূজক, আৰু সকলো
মিছলীয়াবিলাকে জুই আৰু গন্ধকেৰে জ্বলি থকা সৰোবৰত
নিজৰ নিজৰ ভাগ পাব। এয়ে দ্বিতীয় মৃত্যু।
৯পাছে সেই সাতোজন দূতৰ ভিতৰত যাৰ ওচৰত অন্তিম
বিনাশৰ পানপাত্ৰ ভৰি আছিল, এজনে আগলৈ আহিল আৰু
মোক কলে, “ইয়ালৈ আহাঁ। মই তোমাক সেই কন্যাক
দেখুৱাওঁ যি মেৰ পোৱালিৰ ভাৰ্য্যা।” ১০এতিয়াও মই আত্মাৰ
বশতে আছিলো তেওঁ মোক এটা বিশাল আৰু ওখ পৰ্বতলৈ
লৈ গল। পাছে তেওঁ মোক যিৰুচালেমৰ পবিত্ৰ নগৰৰ দৰ্শন
কৰালে। সেইটো ঈশ্বৰৰ ওচৰৰ পৰা আকাশৰ তললৈ নামি
আহিছিল।
১১সেইটো ঈশ্বৰৰ প্ৰভাৱযুক্ত আছিল। তাৰ জ্যোতি
সূৰ্য্যকান্ত নামৰ নিৰ্মল মহামুল্যৱান মণিৰ সমান দ্বিপ্তীমান
আছিল। ১২নগৰৰ চাৰিওফালে আৰু এটা বিশাল ওখ গড়
আছিল যত বাৰখন দুৱাৰ আছিল। সেই বাৰখন দুৱাৰত
বাৰজন স্বৰ্গদূত আছিল। আৰু বাৰখন দুৱাৰত ইস্ৰায়েলৰ
বাৰ ফৈদৰ নাম লিখা আছিল। ১৩ইয়াৰ তিনখন দুৱাৰ পূৱ
ফালে আছিল, তিনিখন দুৱাৰ উত্তৰ ফালে, তিনিখন দুৱাৰ
দক্ষিণফালে, আৰু তিনিখন দুৱাৰ পশ্চিম ফালে আছিল।
১৪নগৰৰ গড়ৰ বাৰটা ভিত্তিমূল বনোৱা হৈছিল, আৰু তাত
মেৰ পোৱালিৰ বাৰজন পাঁচনিৰ নাম লিখা আছিল।
১৫যি স্বৰ্গদূতে মোৰ সৈতে কথা পাতি আছিল, তেওঁৰ
লগত সোণৰে তৈয়াৰী জুখিবলৈ এডাল নল আছিল যিহেৰে
তেওঁ নগৰখনক আৰু তাৰ দ্বাৰা গড়ৰ জোখ লব পাৰিছিল।
১৬নগৰখন বৰ্গাকাৰত স্হাপন কৰা হৈছিল। দীঘে যিমান
আছিল পথালিয়েও সিমানেই আছিল। সেই স্বৰ্গদূতে সেই
নলেৰে সেই নগৰখনক জুখিলে। সেইয়ে পোন্ধৰশ মাইল
পোৱা গল। তাৰ দীঘে, পথালিয়ে আৰু ওখও একে সমানে
আছিল। ১৭স্বৰ্গদূতে আকৌ গড়টো জুখিলে। সেইটো এশ
চৌৱাল্লিশ হাত আছিল। সেইটো মানুহৰ হাতৰে জোখা
হৈছিল যিটো স্বৰ্গদূতৰো হাত আছিল। ১৮নগৰৰ গড়বোৰ
সূৰ্য্যকান্ত নামৰ মণিৰে সজোৱা হৈছিল আৰু নগৰখনক
কাঁচৰ সমান শুদ্ধ সোণৰ দ্বাৰা বনোৱা হৈছিল।
১৯নগৰখনৰ গড়বোৰৰ ভিত্তিমূল সকলো প্ৰকাৰৰ বহুমুল্য
মণিৰে গাঁথনি দিয়া হৈছিল। গড়খনৰ প্ৰথম শিল সূৰ্য্যকান্ত
মণিৰে বনোৱা হৈছিল, দ্বিতীয় নীলকান্ত, তৃতীয় তাম্ৰমণি,
চতুৰ্থ মৰকতৰ, ২০পঞ্চম বৈদুৰ্য্যৰ, ষষ্ঠ চাৰ্দ্দিয় মণিৰ, সপ্তম
স্বৰ্ণ মণিৰ, অষ্টম গোমেদকৰ, নৱম পদ্মৰাগ, দশম লশুনীয়ৰ,
একাদশ পেৰোজৰ, দ্বাদশ কটাহেলাৰ আছিল। ২১বাৰখন
দুৱাৰ বাৰটা মুকুতাৰে বনোৱা আছিল, প্ৰত্যেকটো দুৱাৰত
এটা এটা মুকুতাৰে বনোৱা হৈছিল। নগৰৰ আলিবাট আৰ্চীৰ
দৰে শুদ্ধ সোণৰে বনোৱা আছিল।
২২নগৰখনত মই এটিও মন্দিৰ দেখা নাপালোঁ। কিয়নো
সৰ্বশক্তিমান প্ৰভু আৰু মেৰ পোৱালিয়েই তাৰ মন্দিৰ আছিল।
২৩সেই নগৰখনক কোনো সূৰ্য্য বা চন্দ্ৰৰ আৱশ্যকতা নাছিল
দ্বীপ্তি দিবৰ বাবে, কিয়নো তাত ঈশ্বৰৰ প্ৰতাপ আলোকিত
আছিল। আৰু মেৰ পোৱালিয়েই সেই নগৰৰ প্ৰদীপস্বৰূপ।
২৪সকলো জাতিৰ লোকে এই দ্বীপ্তিৰ প্ৰকাশতেই
অহা যোৱা কৰিব। আৰু এই পৃথিৱীৰ ৰজাসকলে নিজৰ
প্ৰতাপ এই নগৰৰ ভিতৰলৈ আনিব। ২৫দিনৰ সময়ত ইয়াৰ
দুৱাৰবোৰ কেতিয়াও বন্ধ নহব আৰু তাত ৰাতি কেতিয়াও
নহব। ২৬জাতিবলাকৰ ভৰাঁল আৰু ধন-সম্পত্তি সেই
নগৰলৈ অনা হব। ২৭কোনো অপবিত্ৰ বস্তু তাত প্ৰৱেশ
কৰিব নোৱাৰিব। আৰু ঘিনলগীয়া কৰ্ম্ম কৰা আৰু মিছাকথা
কোৱাবিলাকে তাত প্ৰৱেশ কৰিব নোৱাৰিব। সেই নগৰখনত
তেওঁলোকেই প্ৰৱেশ কৰিব পাৰিব কেৱল যিবিলাকৰ নাম
মেৰ পোৱালিৰ জীৱন পুস্তকত লিখা আছে।

## ২২

১ইয়াৰ পাছত সেই স্বৰ্গদূতে মোক জীৱন দিয়া
জলৰ এখন নদী দেখালে। সেই নদী স্ফষ্টিকৰ
নিচিনা উজ্বল আছিল। সেইয়ে ঈশ্বৰৰ আৰু মেৰ পোৱালিৰ
সিংহাসনৰ পৰা ওলাইছিল। ২নগৰৰ আলিবাটৰ মাজেদি
বৈ আছিল। নদীৰ ইপাৰে সিপাৰে জীৱন বৃক্ষ আছিল।
সেইবিলাকত বছৰৰ বাৰ মাহে ফল উ-পন্ন হয় আৰু এই
বৃক্ষৰ পাতবিলাক অনেক জাতিৰ সুস্হ হবৰ কাৰণে আছিল।
৩তাত কোনো প্ৰকাৰৰ কোনো শাও নহব। ঈশ্বৰ আৰু
মেৰ পোৱালিৰ সিংহাসন থাকিব। আৰু তেওঁৰ দাস বিলাকে
তেওঁৰ আৰাধনা কৰিব। ৪আৰু তেওঁৰ নাম তেওঁবিলাকৰ
কপালত লিখা থাকিব। ৫তাত কেতিয়াও ৰাতি নহব আৰু
তেওঁলোকক সূৰ্য্যৰ বা প্ৰদীপৰ পোহৰৰ কোনো আৱশ্যক
নাথাকিব। কিয়নো তেওঁলোকক প্ৰভুৱে নিজৰ প্ৰতাপ দিব
আৰু তেওঁলোকে সদা-সৰ্বদায় ৰাজত্ব কৰিব।
৬পাছে সেই স্বৰ্গদূতে মোক কলে, “এই বাক্য বিশ্বাস
যোগ্য আৰু সত্য। প্ৰভুৱে যি ভাৱবাদীসকলৰ আত্মাৰ
ঈশ্বৰ নিজৰ দাস বিলাকক, যি বিলাক ঘটিত হব, সেইবোৰ
দেখুৱাবলৈ নিজ দূতক পঠালে।” ৭‘শুনা’ মই বেগাই
গৈছোঁ ! ধন্য সেইজন যাৰ নাম এই পুস্তকত দিয়া সেই
বাক্যবোৰ পালন কৰে যিবোৰ ভাৱবাণী।”
৮মই যোহন। মই এইবোৰ কথা শুনিলোঁ আৰু দেখিলোঁ।
যেতিয়া মই এইবোৰ কথা শুনি-দেখিলোঁ তেতিয়া মই
সেই স্বৰ্গদূতৰ চৰণত পৰি প্ৰণিপাত কৰিলোঁ যিয়ে মোক
এইবোৰ কথা দেখুৱাই আছিল। ৯তেওঁ মোক কলে,

“সাৱধান, তুমি এনেকৈ নকৰিবা. কিয়নো মই তোমাৰ ভাই
বন্ধু, ভাৱবাদীসকলৰ যি এই পুস্তকৰ লিখা বাক্যবোৰ পালন
কৰো, মই সহ-দাস হওঁ। ঈশ্বৰক হে প্ৰণিপাত কৰা।”
১০তেওঁ মোক আকৌ কলে, “এই পুস্তকত যিবোৰ
ভাৱবাণী দিয়া হৈছে, সেইবোৰ লুকাই নাৰাখিবা কিয়নো
এই কথাবোৰৰ ঘটিব সময় নিচেই ওচৰ। ১১যিবোৰে
অন্যায় কৰি আহি আছে, তেওঁলোকে অন্যায় কৰি থাকক।
যিবিলাকে অপবিত্ৰ হৈ আছে, তেওঁলোক অপবিত্ৰই হৈ
থাকক। যিবিলাকে ধাৰ্মিক তেওঁলোক ধাৰ্মিক হৈ থাকক।
আৰু যিবিলাক পবিত্ৰ তেওঁলোক পবিত্ৰই থাকক।”
১২“চোৱা মই বেগাই গৈছোঁ আৰু নিজৰ লগত
তোমালোকৰ প্ৰতিফল লৈ আছোঁ। যিজনে যেনে কৰ্ম্ম
কৰিছে, মই তেওঁক তেনধৰণেই দিম। ১৩মইয়েই আল্ফা,
আৰু মইয়েই ওমিগা। মইয়েই প্ৰথম আৰু মইয়েই শেষ।”
১৪“ধন্য সেইজন যি নিজৰ বস্ত্ৰ ধোৱে। তেওঁলোক
জীৱন বৃক্ষৰ অধিকাৰী হব। তেওঁলোকে দুৱাৰেদি নগৰত
প্ৰৱেশ কৰিবলৈ অধিকাৰী হব। ১৫কিন্তু কুকুৰবোৰ, মায়াৱী,
ব্যাভিচাৰি, নৰবধী, দেৱপূজক, আৰু মিছা কথা ভাল পোৱা
প্ৰত্যেক লোক আৰু গঢ়োতাবোৰ, বাহিৰত পৰি থাকিব।”
১৬“মই স্বয়ং যীচুৱে তোমালোকৰ কাৰণে আৰু মণ্ডলীৰ
কাৰণে এই কথাবোৰৰ সাক্ষ্য দিবলৈ নিজৰ স্বৰ্গদূতক
পঠালোঁ। মই দায়ুদৰ পৰিয়ালৰ বংশ। মইয়েই উজ্বল
প্ৰভাতিয় তৰা।”
১৭আত্মা আৰু কন্যাই কয়, “আহাঁ” আৰু যিবিলাকে
ইয়াক শুনে, তেওঁ কয়, “আহাঁ” আৰু যি জনৰ পিয়াহ লাগে
তেওঁ আহক, আৰু যিজনে ইচ্ছা কৰে তেওঁ জীৱনৰ জলৰ
উপহাৰ বিনামুল্য গ্ৰহণ কৰক।
১৮মই সাক্ষ্য দি সেই ব্যক্তিবিলাকৰ কাৰণে ঘোষণা
কৰিছোঁ যে যিবিলাকে এই পুস্তকত লিখা ভাৱবাণীৰ
বাক্যবোৰ শুনে, সেইবিলাকত যদি কোনোবাই কিবা যোগ
কৰে তেন্তে এই পুস্তকত লিখা বিনাশ ঈশ্বৰে সেই জনত
যোগ দিব। ১৯আৰু যদি ভাৱবাদীবিলাকৰ এই পুস্তকত লিখা
বাক্যবোৰৰ কিবা গুচাঁয় তেন্তে ঈশ্বৰে এই পুস্তকত লিখা
জীৱন বৃক্ষৰ আৰু পবিত্ৰ নগৰৰ পৰা তেওঁৰ ভাগ গুচাব।
২০যীচু যি এই কথাবোৰৰ সাক্ষ্য, তেওঁ কৈছে, “হয়! মই
বেগাই গৈছোঁ।”
আমেন। হে প্ৰভু যীচু, আহক!
২১প্ৰভু যীচুৰ অনুগ্ৰহ সকলোৰে লগত থাকক! আমেন।